# চিকিউৰিটীজ এণ্ড এক্সেঞ্জ ব’ৰ্ড অব ইণ্ডিয়া।

## কৰ্মশালালৈ

স্বাগতম

## সবিনয় নিবেদক

## প্ৰতিভুতি বজাৰ সজাগতা অভিযান

‘‘শিক্ষাৰ জৰিয়তে বিনিয়োগকাৰীলৈ ক্ষমতাপ্ৰদান’’

## চিকিওৰিটিজ এণ্ড এক্সচেঞ্জ বোৰ্ড অব ইণ্ডিয়া-ৰ এটি পদক্ষেপ

## চিকিওৰিটিজ এণ্ড এক্সচেঞ্জ বোৰ্ড অব ইণ্ডিয়া-ক স্থাপন


চিকিউৰিটীজ এন্ড এক্সেঞ্জ ব’ৰ্ড অব্ ইন্ডিয়া
বিনিয়োগকাৰী সাহায্য আৰু শিক্ষাৰ কাৰ্যালয়
‘‘এক্সেঞ্জপ্লাজা’’ চি-1, ব্লক জি, চতুৰ্থ মহলা,
বান্দ্ৰা-কুৰ্লা কমপ্লেক্স, বান্দ্ৰা (পূব), মুম্বাই ‑ 400051.



মুখবংদ্ধ : তথ্যখিনি যুগুতোৱা হৈছে পাঠকক বিষয়টোৰ এটা সম্যক জ্ঞান দিয়াৰ বাবে আৰু ই হৈছে সাধাৰন ধৰনৰ। পুস্তিকাৰ বিষয়বস্তুৰ উদ্দেশ্য আইন, চাৰ্কুলাৰ, নিয়ম, নিয়ন্ত্ৰক বিধিব্যৱ স্থা আৰু নিৰ্দ্দেশিকাৰ ব্যাখ্যা বা বিচাৰ কৰা নহয়। এই পুস্তিকাখনি ছেবিৰ দ্বাৰা প্ৰকাশিত কৰা হৈছে বিনিয়োগকাৰীৰ পাঠদানৰ বাবে।



UCHITHA GRAPHIC ASSAMIS 2/2004

# সূচীপত্ৰ


প্ৰস্তাৱনা

| | | |
|---|---|---|
| প্ৰথম অধ্যায় | পৰিছয় .................................................. | 1 |
| দ্বিতীয় অধ্যায় | বিত্তীয় পৰিকল্পনা ....................................... | 3 |
| তৃতীয় অধ্যায় | চিকিউৰিটী বজাৰত বিনিয়োগেৰ পছন্দ .............. | 7 |
| চতুৰ্থ অধ্যায় | চিকিউৰিটীত কিদৰে বেচাকিনা কৰিব পাৰি? ........ | 23 |
| পঞ্চম অধ্যায় | বিনিয়োগকাৰীৰ অভিযোগ নিষ্পত্তিকৰন............. | 55 |

# প্ৰস্তাৱনা

চিকিউৰিটিজ এণ্ড এক্সেচেঞ্জ ব’ৰ্ড অৱ ইণ্ডিয়া (ছেবি)ৰ লক্ষ্য হৈছে চিকিউৰিটিৰ বিনিয়োগকাৰী সকলৰ স্বাৰ্থ ৰক্ষা কৰা আৰু চিকিউৰিটি বজাৰৰ বিকাশ অব্যাহত ৰখা তথা ইয়াক নিয়ন্ত্ৰিত কৰা। এনে লক্ষ্যসমূহ ৰূপায়িত কৰাৰ বাবে ছেবি’য়ে বিগত বছৰবিলাকত বজাৰৰ অংশীদাৰ, বিনিয়োগকাৰী সংগঠনসমূহ তথা চৰকাৰৰ লগত অতি ঘনিষ্ঠভাবে কাম কৰি আহিছে, আন্তৰাষ্ট্ৰীয় শ্ৰেষ্ঠতম সুবিধাৰ সৈতে এক আধুনিক, সুদক্ষ আৰু বিনিয়োগকাৰী মিত্ৰ বজাৰৰ ব্যৱস্থা যোগান ধৰিবলৈ।

ছেবিয়ে বিশ্বাস কৰে যে বিনিয়োগকাৰীসকলেই চিকিউৰিটি বজাৰৰ মেৰুদণ্ড। আমি তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে দৃঢ়তাৰে কাম কৰিবই লাগিব। তেতিয়াহে বজাৰখনে তেওঁলোকৰ অব্যাহত সমৰ্থন লাভ কৰি থাকিব. বিনিয়োগৰ উচিত সিদ্ধান্ত লোৱাৰ কাৰণে। বহুতো বিনিয়োগকাৰী সক্ষম নহব পাৰে । বিভিন্ন বিনিয়োগ বিকল্পৰ সঠিক বিপদাশঙ্কা-আয় সম্পৰ্কে তেওলোকৰ বহুতো সচেতন নহব পাৰে। কিছুমান বিনিয়োগকাৰীয়ে বজাৰৰ মধ্যস্থতাকাৰীৰ সৈতে আৰু বিভিন্ন চিকিওৰিটিজৰ লেনদেনৰ ক্ষেত্ৰত লব লগা সাৱধানতাৰ বিষয়ে সম্পূৰ্ণভাবে নাজানিব পাৰে। বজাৰ প্ৰক্ৰিয়া আৰু ইয়াৰ ক্ৰিয়াৰ লগতে তেওঁলোকৰ নিজৰ অধিকাৰ তথা দায়িত্বৰ কথাও তেওঁলোকে নাজানিব পাৰে। গতিকেই চিকিউৰিটি বজাৰৰ আকৰ্ষণ বজাই ৰখা আৰু বৃদ্ধি কৰাৰ মূলকথা হৈছে তেওঁলোকৰ শিক্ষা আৰু সচেতনতা।

সমগ্ৰ দেশৰ বিনিয়োগকাৰীক সচেতন কৰি তোলাৰ অৰ্থে ছেবিয়ে এক বিৰাট দেশজোৰা বিনিয়োগকাৰীৰ সচেতনতা অভিযান আৰম্ভ কৰিছে । এই অভিযানৰ অংশ হিচাপে ছেবিয়ে এই পুস্তিকাখনকে ধৰি বিভিন্ন বিষয়ে পাঠ্য সামগ্ৰী প্ৰস্তুত কৰিছে। এইবিলাকে নিশ্চয় নিশ্চয় বিনিয়োগকাৰীৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিব। বিনিয়োগকাৰীৰ মনত উদয় হোৱা বেচিভাগ প্ৰশ্নৰে উত্তৰ এই পুস্তিকাখনে দিব পৰিব। মোৰ দৃঢ় বিশ্বাস, এই পুস্তিকাখনে যিকোনো বিনিয়োগকাৰীকে উপকৃত কৰিব।

জি. এন. বাজপায়
চেয়াৰমেন

চিকিউৰিটীজ এণ্ড এক্সেঞ্জ ব’ৰ্ড অৱ ইণ্ডিয়া।

প্ৰথম অধ্যায়

# পৰিছয়

আপুনি, এজন চিকিউৰিটি বিনিয়োগকাৰীৰ ৰূপত, হৈছে চিকিউৰিটি বজাৰৰ আধাৰ। আপোনাৰ নিৰাপত্তা হৈছে অতিকে দৰকাৰী কথা। আমি জানো যে বিনিয়োগৰ সিদ্ধান্তবোৰ লোৱাৰ সময়ত আপুনি কিছুমান সাবধানতা গ্ৰহণ নকৰিলে আমাৰ প্ৰচেষ্টা সীমিত থাকিব। এই পুস্তিকাখনে আপোনাক অবগত কৰাৰ বিভিন্ন বজাৰ মাধ্যম তথা চিকিউৰিটিত বাণিজ্য কৰোতে ল'ব লগা সাৱধানতাবোৰৰ বিষয়ে। লগতে চিকিউৰিটি বিনিয়োগ সম্পৰ্কে আপোনাৰ কেতবোৰ স্বাভাবিক প্ৰশ্নৰ উত্তৰ দিয়াৰ চেষ্টাও ই কৰিব।

### মই বিনিয়োগ কিয় কৰিব লাগে ?

আপুনি যদি আপোনাৰ এনেয়ে পৰি থকা ধনৰ পৰা অৰ্জন কৰিব খোজে, জীৱনৰ এটা নিৰ্দিষ্ট লক্ষ্য পূৰণ কৰিবলৈ এটা নিৰ্দিষ্ট পৰিমাণ যোগাৰ কৰিব খোজে বা ভৱিষ্যতৰ অনিশ্চয়তা ৰোধিব খোজে তেতিয়া আপুনি বিনিয়োগ কৰাৰ কথা ভাবিব লাগে। অৱশ্যে এইবোৰ লক্ষ্যৰ যিকোনো এটা পূৰণ কৰাৰ বাবে আপুনি বিনিয়োগ কৰোতে সম্পূৰ্ণ সতৰ্ক হ'বই লাগিব।

### মোৰ বিনিয়োগ বিকল্পবোৰ কি ?

পছন্দ কৰাৰ কাৰণে বহুতো বিকল্প আছে। মিউচুয়েল ফাণ্ডৰ ইউনিটকে ধৰি চিকিউৰিটীৰ দৰে বিত্ত সম্পদৰ ওপৰত বিনিয়োগ কৰিব পাৰে। আপোনাৰ পছন্দ নিৰ্ভৰ কৰিব আপুনি বিনিয়োগ কৰিব খোজা পৰিমাণ, আপোনাৰ বিনিয়োগৰ কাল, বিপদৰ প্ৰতি আপোনাৰ সহাৰি, আপোনাৰ নগদীকৰনৰ প্ৰয়োজন, আপোনাৰ বিনিয়োগৰ লক্ষ্য আৰু জৰুৰী অৱস্থাত আপোনাক নিৰাপদে ৰাখিব পৰা প্ৰক্ৰিয়াবোৰৰ ওপৰত।

### মোৰ বিনিয়োগৰ লক্ষ্যবোৰ কি হ'ব লাগে ?

মূলত আপোনাৰ তিনিটা লক্ষ্য থাকে। নিৰাপত্তা, আয় আৰু নগদীকৰন। আপুনি বিচাৰে আপোনাৰ বিনিয়োগ একেবাৰে নিৰাপদ হোৱাৰ লগতে ই দিয়ে সুন্দৰ আয় আৰু অধিক নগদীকৰন। তিনিওটা লক্ষ্য একেলগে পূৰণ কৰাটো কঠিন কাম। সাধাৰনতে এটা লক্ষ্যই আনটোৰ লগত বুজাপৰা কৰিব লাগে। উদাহৰন স্বৰূপে, আপুনি যদি অধিক আয় বিচাৰে তেতিয়াহলে কিছু বিপদৰ সম্ভাৱনা বহন কৰিব লাগিব নাইবা অধিক নগদীকৰন বিচাৰিলে আপুনি ইয়াৰ অৰ্জনৰ লগত বুজাপৰাত আহিব লাগিব। আপোনাৰ নিয়মিত উপাৰ্জন

থাকিলে আপুনি বৃদ্ধিকাৰক বিনিয়োগ বিচাৰিব পাৰে। গতিকে লক্ষ্য নির্ভৰ কৰিব আপোনাৰ নিজৰ স্থিতিৰ ওপৰত।

### বিনিয়োগ কৰোতে মই কি সাবধানতা ল'ব লাগে ?

যিকোনো বিনিয়োগ কৰাৰ আগতে চাব যেন আপুনি :

(ক) বিনিয়োগটো ব্যাখ্যা কৰা লিখিত নথিপত্ৰ পায়।

(খ) নথিপত্ৰবোৰ ভালকৈ পঢ়ি বুজি লয়।

(গ) বিনিয়োগৰ বৈধতা বিচাৰ কৰি লয়।

(ঘ) বিনিয়োগৰ লগত জড়িত থকা খৰচ আৰু লাভ বুজি লয়।

(ড) বিনিয়োগৰ বিপদ - আয় অনুপাত বিচাৰ কৰি লয়।

(চ) বিনিয়োগৰ নগদীকৰন তথা নিৰাপত্তাৰ দিশবোৰ জানি লয়।

(ঢ) আপোনাৰ নির্দিষ্ট লক্ষ্যবোৰৰ কাৰণে ই উপযোগী হয় নে নহয় চাই লয়।

(জ) এইবোৰ দিশ তুলনা কৰি লয় আন আন বিনিয়োগৰ সুবিধাৰ লগত।

(ঝ) চাই লয় যে আপুনি বিবেচনা কৰি থকা বা ইতিমধ্যে কৰা আনবোৰ বিনিয়োগৰ লগত ই খাপখাব নে নাখায়।

(ঞ) য'তেই প্ৰয়োজন হয় কেবল ছেবি ৰেজিষ্টাৰ নম্বৰ থকা মাধ্যমৰ যোগেদিহে বাণিজ্য কৰে।

(ত) মাধ্যমটো তথা বিনিয়োগটোৰ বিষয়ে সকলো কথা পৰিষ্কাৰকৈ জানি লয়।

(থ) যদিহে কিবা অথন্তৰ হয় তাৰ বিকল্পবোৰ পাবনে নাপায় চাই লয় আৰু সন্তুষ্ট হলেহে বিনিয়োগটো কৰে।

অমি ইয়াক কও 'বিনিয়োগৰ বাৰটা পদক্ষেপ'। যদিহে আপুনি এইবোৰ সাবধানতা গ্ৰহণ কৰিব নোৱাৰে তেতিয়া আপুনি বিনিয়োগৰ দায়িত্ব ন্যস্ত কৰিব পাৰে মিউচ্যুৱেল ফান্ডৰ দৰে নির্ভৰযোগ্য আৰু দক্ষ গোটক আপোনাৰ হৈ বিনিয়োগ কৰাৰ বাবে। তেনে ক্ষেত্ৰতো আপুনি সাবধানতা ল'ব লাগিব যাতে আপুনি উচিত গোটটো পছন্দ কৰে যি আপোনাৰ প্ৰয়োজন বুজি পাই আপোনাৰ স্বাৰ্থত কাম কৰে।



দ্বিতীয় অধ্যায়

# বিত্তীয় পৰিকল্পনা

### বিত্তীয় লক্ষ্যবোৰৰ নির্দিষ্টকৰন :

বিনিয়োগ কৰা হয় কেতবোৰ বিত্তীয় লক্ষ্যৰ সৈতে। এই লক্ষ্যবোৰ পৰিষ্কাৰ হব লাগে আৰু পইচাৰ ৰূপত জুখিব পৰা হব লাগে। উদাহৰণ স্বৰূপে আপুনি 'মই ভালদৰে অৱসৰ ল'ব খোজো। বুলি ক'লেই যথেষ্ট নহব। এইটো লক্ষ্য এনেদৰে বুজাব লাগিব, 'মই বার্ষিক 2,00,000 টকা ব্যয় কৰিব পৰাৰ সক্ষমতাৰে অৱসৰ ল'ব খোজো, মুদ্ৰাস্ফিতীৰ লগত খাপ খুৱাই।'

এজন বিনিয়োগকাৰীয়ে আজি সঞ্চয় কৰে কাইলৈৰ বিত্তীয় প্ৰয়োজনবোৰ পুৰণ কৰাৰ অৰ্থে। সঞ্চয় কৰাৰ উদ্দেশ্যৰ বিষয়ে বিনিয়োগকাৰীজন পৰিষ্কাৰ নহলে তেওঁৰ প্ৰচেষ্টাই বাঞ্চিত ফল লাভ কৰিব নোৱাৰিব। গতিকে এজন বিনিয়োগকাৰীয়ে পোণতে নিজৰ আৰ্থিক প্ৰায়াজনবোৰ চিহ্নিত কৰিবই লাগিব। উদাহৰণ লওক, বিনিয়োগকাৰীজনৰ আৰ্থিক প্ৰয়োজনবোৰ তলত দিয়াৰ এটা বা অধিক হব পাৰে :

1. বাৰ্ষিক 3,00,000 টকাৰ আয়ৰ সৈতে 55 বছৰত অৱসৰ ল'ব বিচাৰো। মোৰ বৰ্ত্তমান বয়স 39 বছৰ।
2. 20 বছৰৰ পাছত অৱসৰ লোৱাৰ সময়ত মই গৃহ অনুদানটো সম্পূৰ্ণৰূপে পৰিশোধ কৰিব খোজো।
3. মই মোৰ পাছ বছৰীয়া ছোৱালীজনীৰ কলেজীয়া শিক্ষাৰ খৰচ বহন কৰিব খোজো যিটো হব চাৰি বছৰ ঠিৰি বাৰ্ষিক 2,50,000 টকা।

বিনিয়োগকাৰীজনৰ প্ৰথমটো পদক্ষেপ হব আৰ্থিক প্ৰয়োজনবোৰ পৰিষ্কাৰকৈ লিখি লোৱা। আৰ্থিক প্ৰয়োজনবোৰ প্ৰকাশ কৰা হব বিচৰা পৰিমাণটোৰ ৰূপত আৰু ভৱিষ্যতে কি তাৰিখত ইয়াৰ দৰকাৰ হব। ওপৰত দিয়া তিনিটা উদাহৰনত আমি এইদৰে লিখিম :

| উদাহৰনৰ নম্বৰ | প্ৰয়োজনীয় পৰিমাণ | বিচৰা সময় |
|---|---|---|
| 1 | 3,00,000 টকা প্ৰতিবছৰে | এতিয়াৰ পৰা 20 তম বছৰটোৰ আৰম্ভনিত প্ৰতি বছৰে আৰু হয়তো 40 তম বছৰটোলৈকে। |
| 2 | মাহিলী 5000 টকা | পাছৰ 20 টা বছৰৰ কাৰণে। |
| 3 | 1,50,000 টকা প্ৰতি বছৰে | এতিয়াৰ পৰা 12 শ বছৰটোৰ আৰম্ভনিৰ পৰা 15 শ বছৰটোলৈকে। |

প্ৰতিজন বিনিয়োগকাৰীয়ে হাতত সময় লৈ বিত্তীয় লক্ষ্যৰ এনে এখন তালিকা প্ৰস্তুত কৰিব লাগে। যিমান পাৰি সিমানবোৰ প্ৰয়োজন সামৰি লোৱা উচিত। ইয়াৰ আধাৰতে বিত্তীয় পৰিকল্পনাটো সাজু কৰা হব। যদি ইমানবোৰ লক্ষ্য সামৰি লোৱাৰ আৰ্থিক সক্ষমতা নাথাকে তেনেক্ষেত্ৰত অতিকে দৰকাৰী কেইটা বাচি উলিয়াব লাগিব।

বিনিয়োগকাৰীৰ আৰ্থিক প্ৰয়োজনবোৰ নিৰ্ভৰ কৰে বয়স, কৰ্মজীৱনৰ বৰ্ত্তমান পৰ্য্যায়. পৰিয়ালৰ আকাৰ, পৰিয়ালৰ আন আন সদস্যৰ প্ৰয়োজন আদিৰ ওৰত। কিছুমান প্ৰয়োজন সঠিকভাবে চিনাক্ত কৰিব পাৰি আৰু কিছুমান মোটামোটিভাবেহে নিৰ্দিষ্ট কৰিব পৰা যায়। লগতে কিছুমান আচম্বিত প্ৰয়োজনো আহি যাব পাৰে যাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। কেতিয়াবা বিনিয়োগকাৰীৰ সলনি হোৱা পৰিস্থিতিত বিত্তীয় প্ৰয়োজনো সলনি হয়।

এটা বিত্তীয় পৰিকল্পনা তৈয়াৰ কৰাৰ কাৰণে লক্ষ্যবোৰ পৰিস্কাৰ ৰূপত তথা ধাৰ্য্য কৰিব পৰা বয়স, পৰিমাণ আৰু সময়সীমাত বৰ্ণিত কৰিব লাগিব। বিত্তীয় পৰিকল্পনাটো হৈছে কাইলৈৰ প্ৰয়োজন পূৰাবৰ কাৰণে আজিৰ ধনখিনি বন্টন কৰাৰ এটা প্ৰক্ৰিয়া। বিত্তীয় পৰিকল্পনাটো স্থবিৰ নহয়। সলনি হৈ থকা পৰিস্থিতিৰ কাৰণে মাজে সময়ে ইয়াক সংশোধিত কৰিব লগা হয়।

### বিত্তীয় সক্ষমতাৰ নিৰ্ণয় :

ওপৰত কোৱাৰ দৰে এজন বিনিয়োগকাৰীয়ে আজিৰ ধনৰ একাংশ আচুটীয়া কৰে বিত্তীয় পৰিকল্পনাটোৰ লক্ষ্যবোৰ পূৰণ কৰিবলৈ। বৰ্ত্তমান কিমান ধন একাষৰীয়া কৰিব পাৰি সেইটো নিৰ্ভৰ কৰে বৰ্ত্তমান পৰিস্থিতিৰ ওপৰত। ইয়াক বুজিব পৰা যাব বিনিয়োগকাৰীৰ ব্যক্তিগত আয়, সম্পত্তি আৰু দায়িত্ববোৰ পৰীক্ষা কৰি। বেলেন্স শ্বিট খনত থাকে বিনিয়োগকাৰীৰ সম্পদ তথা দায়বদ্ধতাৰ তালিকা। আশা কৰা হয় সম্পদ দায়বদ্ধতাতকৈ অধিক হয় আৰু এই ৰাহিখিনিয়েই হৈছে মুঠ অৰ্জন। খৰচ আধাৰিত হোৱাৰ সলনি সকলো সম্পদ তথা দায়বদ্ধতাৰ মূল্যায়ন কৰা উচিত চলিত বজাৰ মূল্যৰ অধাৰত। উদাহৰন স্বৰূপে আপোনাৰ যদি 1000 টকাত কিনা এটা ইকুইটি শ্বেয়াৰ আছে আৰু তাৰ বৰ্ত্তমান মূল্য যদি 5000 টকা তেতিয়া আপোনাৰ বেলেন্স শ্বিটখনে 5000 টকাই দেখুৱাব লাগে। অবশ্যে আপুনি শ্বেয়াৰটো বেচি পুজি বৃদ্ধিৰ কৰ আদায় কৰিলে খৰচটো দৰকাৰী হৈ পৰে।



### 2003 চনৰ 31 মাৰ্চত শ্ৰীমানৰ বেলেন্স শ্বিট

| সম্পদ | | দায়বদ্ধতা | |
|---|---|---|---|
| নগদ | 80,000 | গৃহ অনুদানৰ বকেয়া | 6,00,000 |
| বিনিয়োগ | 4,00,000 | গাড়ী অনুদানৰ বকেয়া | 1,00,000 |
| ঘৰ | 8,00,000 | প্ৰকৃত মূল্য | 11,80,000 |
| গাড়ী | 2,00,000 | | |
| ীৱন বীমা প্ৰত্যাহাৰ মূল্য | 4,00,000 | | |
| মুঠ | 18,80,000 | মুঠ | 18,80,000 |

বিনিয়োগকাৰীজন নিজৰ সামৰ্থ্যৰ ভিতৰত থাকিব লাগে। সামৰ্থ্যই হৈছে উপাৰ্জন। ইয়াৰ পৰা দৈনন্দিন খৰচ পাতি কৰিব লাগে। বাকীথকা অংশটো সঞ্চয়ৰ কাৰণে থাকে। বিনিয়োগকাৰীজনে আয় আৰু ব্যয়ৰ বিৱৰন তৈয়াৰ কৰা উচিত। ইয়াক কোৱা হয় 'কেছ ফ্ল' ষ্টেটমেন্ট'। উপাৰ্জনৰ উ?সবোৰ হৈছে দৰমহা, ডিভিদেন্ড, সুদ, আত্মনিয়োজনৰ আয় ইত্যাদি।

উপাৰ্জন চিহ্নত কৰাৰ পাছত বিনিয়োগকাৰীয়ে খৰচ বোৰো চিহ্নত কৰিব লাগে। খৰচবোৰ সাধাৰনতে ভাগ কৰা হয় ঘৰ চলোৱাৰ খৰচ, প্ৰতিশ্ৰুতি দিয়া ধন আৰু কৰ আদিৰ ৰূপত।

প্ৰতিবছৰে খৰচৰ পাছৰ ৰাহি হোৱা আয়েই থাকে সঞ্চয়ৰ কাৰণে। সঞ্চয় কৰাৰ তেওৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰি বিনিয়োগকাৰীয়ে লক্ষ্যবোৰ পূৰণ কৰাৰ চেষ্টা কৰে। কেছ ফ্ল' ষ্টেটমেন্ট তৈয়াৰ কৰা হয় ভিন্ন পৰিস্থিতিত। এইবোৰ হৈছে মৃত্যু, অকামিলা হোৱা আৰু অৱসৰ গ্ৰহণ।

### শ্ৰীমানৰ কেছ ফ্ল' ষ্টেটমেন্ট 1.4.2002ৰ পৰা 31.3.2003 লৈকে।

| | | আশা কৰা | ভিন্ন পৰিস্থিতি | | |
|---|---|---|---|---|---|
| | | | অকামিলা হোৱা | মৃত্যু | অৱসৰ গ্ৰহণ |
| আয় | ব্যৱসায়ৰ আয় প্ৰকৃত/দৰমহা | 4,00,000 | 0 | 0 | 0 |
| | ডিভিদেন্ড, সুদৰ প্ৰাপ্তি | 1,00,000 | 1,00,000 | 1,00,000 | 1,00,000 |
| | আন আন | 0 | 0 | 0 | 0 |
| | মুঠ | 5,00,000 | 1,00,000 | 1,00,000 | 1,00,000 |

| | | আশা কৰা | ভিন্ন পৰিস্থিতি | | |
|---|---|---|---|---|---|
| | | | অকামিলা হোৱা | মৃত্যু | অৱসৰ গ্ৰহণ |
| খৰচ পাতি | ঘৰ চলোৱাৰ খৰচ | 2,00,000 | 2,50,000 | 1,50,000 | 2,00,000 |
| | বীমাৰ কিস্তি | 20,000 | 20,000 | 20,000 | 20,000 |
| | অনুদানৰ কিস্তি | 35,000 | 35,000 | 35,000 | 35,000 |
| | পেঞ্চনৰ কাৰণে বৰউনি | 30,000 | 30,000 | 0 | 0 |
| | কৰ আদি | 1,50,000 | 30,000 | 30,000 | 30,000 |
| | মুঠ | 4,35,000 | 3,65,000 | 2,35,000 | 2,85,000 |
| ৰাহি (ঘাটি) | | 65,000 | (2,65,000) | (1,35,000) | (1,85,000) |

### বিত্তীয় পৰিকল্পনা কিনো ?

বেলেন্স শ্বিটখনে দেখুৱায় বিনিয়োগকাৰীয়ে কিমান লাভ কৰিছে আৰু কিমান ধাৰ বহন কৰিছে। কেছ ফ্ল' ষ্টেটমেন্ট খনে দেখুৱায় বিনিয়োগৰ কাৰণে থকা ৰাহি পৰিমাণ। দুয়োটাকে যুক্ত কৰিলে আমি পাও বিনিয়োগকাৰীজনৰ বিত্তীয় পৰিস্থিতি আৰু জমা কৰাৰ সম্ভাৱনাৰ খবৰ। বিত্তীয় পৰিকল্পনা হৈছে তেওৰ জমা কৰাৰ সম্ভাৱনাখিনিৰ সৈতে তেওৰ বিত্তীয় প্ৰয়োজন বোৰ যিমান পাৰি পূৰণ কৰাৰ প্ৰক্ৰিয়া। আৰ্থিক নীতিটোৰে প্ৰদান কৰা পছন্দবোৰত জমা ধন বিনিয়োগ কৰা হয় তালিকা কৰা লক্ষ্যবোৰ পূৰণ কৰিবলৈ।



## তৃতীয় অধ্যায়

# চিকিউৰিটী বজাৰত বিনিয়োগৰ পছন্দ

চলিত আটাইবোৰ বিনিয়োগ বিকল্পৰ ভিতৰত চিকিউৰিটীকে আটাইতকৈ জোৰদাৰ আৰু লাভ জনক বুলি ধৰা হয়। কিন্তু চিকিউৰিটীত বিনিয়োগ কৰাৰ বাবে দক্ষতা তথা অভিজ্ঞতা লাগে আৰু চিকিউৰিটীৰ পছন্দ ঠিক নহলে বা উচিত সময়ত ইহঁতক কিনা/বেচা নকৰিলে হানি হোৱাৰ বিপদ আশংকা থাকে।

সাধাৰন ভাষাত চিকিউৰিটী বুলি কোৱা বহুতো সজুলি আছে। ছেবি প্ৰতিষ্ঠা কৰা হৈছে 'চিকিউৰিটীত' বিনিয়োগকাৰীৰ স্বাৰ্থক নিৰাপদে ৰখাৰ মূল লক্ষ্যৰে। চিকিউৰিটীজ কনট্ৰেক্টছ (ৰেগুলেশ্যন) আইন, 1956ত দিয়া ইয়াৰ সূত্ৰ মতে তলত দিয়াবোৰ ভিতৰুৱা :

i. শ্বেয়াৰ, স্ক্ৰিপ, ব'ন্ড ডেবেনছাৰ, ডেবেনছাৰ ষ্টক নাইবা একেধৰনৰ বজাৰত চলিব পৰা চিকিউৰিটী যিকোনো ইনকৰ্পোৰেটেড কোম্পানী বা বডী কৰ্পোৰেটৰ নিজৰ বা জড়িত থকা।

ii. দেৰিভেটিভ

iii. এনে ধৰনৰ আচনিত বিনিয়োগকাৰীৰ বাবে যিকোনো সামূহিক বিনিয়োগ আচনিয়ে মুকলি কৰা ইউনিটবোৰ বা যিকোনো আন সজুলি

iv. চিকিউৰিটী ৰিছিপ্ট

v. চৰকাৰী চিকিউৰিটী

vi. কেন্দ্ৰীয় চৰকাৰে চিকিউৰিটী বুলি ঘোষনা কৰা আন কোনো সজুলি

vii. চিকিউৰিটীত থকা অধিকাৰ বা স্বাৰ্থসমূহ

ভিন্ন চিকিউৰিটীৰ বিপদ-অৰ্জনৰ স্বৰূপ ভিন্ন হয়। সাধাৰনতে অধিক বিপদ আশংকা থাকিলে অৰ্জন অধিক হয় বা ইয়াৰ বিপৰীত। বিপদবোৰ হব পাৰে ক্ৰেডিট ৰিস্ক (সিপক্ষৰ গোটটো ঠিক নহলে আদায় দিয়াত বিঘিনি হব পাৰে), অৰ্জনৰ বিপদ (বিনিয়োগৰ অৰ্জন নিৰ্ভৰ কৰিব পাৰে কেবাটাও আকস্মিক কাৰণৰ ওপৰত) আৰু নগদীকৰনৰ বিপদ (চিকিউৰিটী টকালৈ ৰূপান্তৰিত কৰাটো কঠিন হব পাৰে)।

## বিনিয়োগকাৰীৰ বিপদাশংকা স্বৰূপ :

প্ৰথম অধ্যায়ত আমি কৈছিলো যে বিত্তীয় পৰিকল্পনা হৈছে জমাধন নিৰ্দিষ্ট বিত্তীয় লক্ষ্য পূৰণত নিয়োজিত কৰাৰ পদ্ধতি। হাতত থকা জমাধনৰ সৈতে গোটেইবোৰ বিত্তীয় লক্ষ্য পূৰণ কৰাটো সদায় সম্ভৱ নহব পাৰে। যদি জমাধন সীমিত আৰু প্ৰয়োজন অপাৰ হয় তেতিয়া সঞ্চয়খিনি বিনিয়োগ কৰা উচিত অধিক অৰ্জন দিয়া বিকল্পত। কিন্তু সাধাৰনতে অধিক অৰ্জনৰ অৰ্থ হৈছে অধিক বিপদ। অধিক বিপদৰ আশংকা বহন কৰাৰ কাৰণে সকলো বিনিয়োগকাৰী সাজু নাথাকিব পাৰে।

ওপৰত কৰা আলোচনা মতে বিনিয়োগৰ কিছুমান সুযোগত বিপদাশংকা অধিক থাকে আৰু কিছুমানত ই কম থাকে। প্ৰতিটোকে সম্পদ শ্ৰেণী বুলি কোৱা হয়। এজন বিনিয়োগকাৰীয়ে তেওঁৰ নিজৰ পৰিস্থিতিৰ অনুকুলে নিজৰ জমাধন বন্টন কৰে এটা বা অধিক সম্পদ শ্ৰেণীত। এই সিদ্ধান্তক কোৱা হয় সম্পদ বন্টন সিদ্ধান্ত। বিনিয়োগৰ প্ৰক্ৰিয়াটোত হয়তো এই সম্পদ বন্টন সিদ্ধান্তটো আটাইতকৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত। সম্পদ বন্টনৰ সাৰ মৰ্ম এয়ে যে সময়ত ইয়েই মুঠ বিনিয়োগৰ পৰা হোৱা অৰ্জনৰ শতকৰা 90 ভাগলৈকে ধাৰ্য্য কৰিব পাৰে।

বিনিয়োগকাৰীজনে বিপদ আশংকা কিমান বহন কৰিব সেইটো নিৰ্ভৰ কৰে তেওঁৰ আৰ্থিক অৱস্থা আৰু মানসিকতাৰ ওপৰত। প্ৰতিজন বিনিয়োগকাৰীয়ে নিজৰ বিপদ আশংকা বহন কৰাৰ ক্ষমতাৰ কথা জানিবই লাগিব আৰ সেইমতে বিনিয়োগৰ সিদ্ধান্তবোৰ ল'ব লাগিব।

- আপুনি কি ধৰনৰ বিনিয়োগকাৰী ?
- অধিক বিপদাশংকা বহন কৰিবলৈ আপুনি সাজুনে ?
- বিপদাশংকা বহন কৰাৰ প্ৰতি আপেনাৰ অনীহা নেকি ?

আপোনাৰ নিজৰ বিপদাশংকাবাহী মানসিকতা বুজি পাব পৰাৰ বিজ্ঞান সন্মত পদ্ধতি আছে। উদাহৰন স্বৰূপে তলৰ প্ৰশ্নবোৰৰ উত্তৰ দি আপুনি অলপ ধাৰনা কৰিব পাৰিব :

আপোনাৰ বয়স হৈছে

- 25-35 ৰ ভিতৰত
- 35-50 ৰ ভিতৰত
- 50-65 ৰ ভিতৰত
- 65 ৰ ওপৰত।



আপোনাৰ অৱস্থাটোৰ উত্তম ব্যাখ্যা

- আপুনি আত্ম অনুগত আৰু কাকো সমৰ্থন নকৰে
- আপোনাৰ ওপৰত নিৰ্ভৰশীল ব্যক্তি (সকল) আছে
- অৱসৰ চমু চাপি আহিছে
- অৱসৰ প্ৰাপ্ত

তলৰ প্ৰয়োজনবোৰৰ কিমান নিয়ন্ত্ৰিত কৰিব পৰা হৈছে ? (সম্পূৰ্ণকৈ, আংশিকভাবে, মুঠেই হোৱা নাই)

- বীমা
- অৱসৰ
- ল'ৰাছোৱালীৰ শিক্ষা
- গৃহনিৰ্মাণ

আপোনাৰ বৰ্ত্তমান খৰচৰ কিমান অংশ বিনিয়োগে পূৰাইছে

- শূণ্য
- 15% লৈকে
- 15 আৰু 50%ৰ মাজত
- 30 আৰু 50%ৰ মাজত
- 50%ৰ অধিক

ভবিষ্যতে আপোনাৰ অৰ্জনে

- মুদ্ৰাস্ফিতীক চেৰ পেলাই যাব পৰিব
- মুদ্ৰাস্ফিতীতকৈ অকমানহে আগত যাব
- মুদ্ৰাস্ফিতীৰ লগে লগে যাব
- মুদ্ৰাস্ফিতীৰ লগত ফেৰ মাৰিব নোৱাৰিব

আপুনি কিনা শ্বেয়াৰৰ মূল্য তীব্ৰ গতিত কমি গ'লে আপুনি

- বিনিয়োগটো বেচি দিব
- বিনিয়োগৰ এটা অংশ বেচিব
- একো নকৰে
- বিনিয়োগটোত আৰু বেচি ধন লগাব

বিপদাশংকাৰ ধৰন আধাৰিত মূলত তিনিটা সম্পদ শ্ৰেণী আছে। ইকুইটি ডে’ট আৰু কেছ। ইকুইটি হৈছে বিপদাশংকাৰে ভৰা, ডে’টৰ বিপদ কম আৰু কেছৰ বিপদ আৰু কম। প্ৰতিটো সম্পদ শ্ৰেণীত বিনিয়োগকাৰীয়ে নিৰ্দিষ্ট সজুলিবোৰ নিৰ্বাচিত কৰিব লাগিব বিনিয়োগৰ বাবে।

আৰ্থিক অৱস্থা আৰু বিনিয়োগকাৰীৰ প্ৰকৃতিয়ে বিনিয়োগ বিকল্পবোৰ বাচি দিব বিনিয়োগকাৰীজনৰ বাবে। নগদীকৰণ, নিৰাপত্তা আৰু ইহঁতে আগবঢ়োৱা অৰ্জনৰ দিশত বিত্তীয় সজুলিবোৰ বেলেগ বেলেগ হয়। বিনিয়োগ কৰাৰ সিদ্ধান্তৰ প্ৰত্যাহবানটো হৈছে অৱস্থা চাই সজুলিবোৰৰ নিৰ্ভুল বাচনি।

প্ৰতিটো বিনিয়োগ বিকল্পৰে কেতবোৰ সুবিধা আৰু কেতবোৰ সীমাবদ্ধতা থাকে। উদাহৰন স্বৰূপে বেংকৰ জমা খাটাৰ অতিকে নগদীকৰনৰ সুবিধা থাকিব (যেতিয়াই বিচাৰে ধন উলিয়াব পাৰে) আৰু আনহাতে ৰাজহুৱা ভবিষ্য নিধিৰ বিনিয়োগত পইচা উলিওৱা টান হব।

অৰ্জনৰ সম্ভাৱনাৰ লগত বিপদাশংকাৰ সম্পৰ্ক যোগাত্মক। উদাহৰন স্বৰূপে ইকুইটি শ্বেয়াৰৰ অৰ্জন যথেষ্ট বেচি, কিন্তু সেইদৰে ইয়াৰ বিপদ আশংকাও তুলনামূলক ভাবে আন আন বিকল্পতকৈ অধিক। বিপদ আশংকা শ্ৰেণীবদ্ধ কৰিব পৰা যায় ব্যৱস্থাগত তথা অব্যৱস্থাগতৰ ৰূপত।

অব্যৱস্থাগত আশংকাবোৰ নিম্নতম কৰিব পাৰি নিজৰ বিনিয়োগৰ টোপোলাটো বিস্তৃত কৰি। উদাহৰন স্বৰূপে কেবল ষ্টীল কোম্পানীৰ শ্বেয়াৰত বিনিয়োগ কৰাৰ সলনি ঔষধি উদ্যোগ তথা চফ্‌টৱেৰ খন্ডৰ দৰে আন আন দিশতো বিনিয়োগ কৰিব পাৰি। এই পৰিস্থিতিত ষ্টীল খন্ডৰ কাৰ্য্যকাৰিতা বৰ ভাল নহলেও আপোনাৰ টোপোলাটো বিশেষ ক্ষতিগ্ৰস্ত নহয়। ব্যৱস্থাগত আশংকাবোৰ টোপোলাৰ বিস্তাৰ কৰি নিম্নতম কৰিব নোৱাৰি। উদাহৰন স্বৰূপে কোৰিয়াৰ বিনিয়োগকাৰী এজনে দক্ষিণ পূব এছিয়াত হোৱা মুদ্ৰা সংকটৰ বাবে হোৱা নিজৰ লোকচানখিনি তেওৰ টোপোলাৰ বিস্তাৰ কৰিও কমাব নোৱাৰে।

বিনিয়োগকাৰীৰ চাৰিত্ৰিক লক্ষনো দৰকাৰী কথা। কিছুমান বিনিয়োগকাৰীৰ সময় আৰু জ্ঞান আছে নিজৰ বিনিয়োগৰ টোপোলাটো ভালকৈ পৰীক্ষা কৰিবলৈ। এওলোকক ‘সক্ৰিয়’ বিনিয়োগকাৰী কোৱা হয়। আন কিছুমানৰ সময়, জ্ঞান বা ইচ্ছা নথকাৰ কাৰণে নিজৰ বিনিয়োগবোৰ নিয়মিত পৰীক্ষা নকৰে আৰু তেওঁলোকে ধনখিনি নিৰাপদে ৰাখি থোৱাৰ প্ৰতিহে আগ্ৰহী হয়।



## বিনিয়োগ বিকল্প

বজাৰত চলি থকা বিকল্পবোৰ তলত বৰ্ণনা কৰা হৈছে আৰু এনেবোৰ মাপকাঠিৰ আধাৰত মূল্যায়ন কৰা হৈছে :

- নগদীকৰন
- নিৰাপত্তা
- অৰ্জন
- কৰৰ ৰাহি
- বিনিয়োগ চলোৱাৰ বাবে লগা সক্ৰিয় ভুমিকা
- বিনিয়োগ কৰিব পৰা নূন্যতম পৰিমাণ।

এই অধ্যায়ৰ অন্তত বিকল্পবোৰৰ এখন মোখনিমৰা টেবুল দিয়া হৈছে।

### ইকুইটি শ্বেয়াৰ - প্ৰাথমিক বজাৰ

প্ৰাথমিক বজাৰৰ অৰ্থ হৈছে নতুন কোম্পানী তথা চলিত কোম্পানীয়ে মুকলি কৰা নতুন শ্বেয়াৰ। শ্বেয়াৰৰ বাহিৰে প্ৰাথমিক বজাৰত মুকলি কৰা সাধাৰন সজুলিবোৰ হৈছে ডেবেনচাৰ, পৰিবৰ্ত্তনীয় ডেবেনচাৰ, ৱাৰেন্টৰ দৰে বিকল্প যুক্ত শ্বেয়াৰ ইত্যাদি।

### ইকুইটি শ্বেয়াৰ - মাধ্যমিক বজাৰ

মাধ্যমিক বজাৰে বুজায় ষ্টক এক্সেঞ্জবোৰ য’ত এজন বিনিয়োগকাৰীয়ে তালিকভুক্ত শ্বেয়াৰবোৰ কিনিব (বা বেচিব) পাৰে। ভাৰতৰ ষ্টক বজাৰক প্ৰভাবাণ্বিত কৰি আহিছে ইকুইটি শ্বেয়াৰে। কম্পিউটাৰৰ বিস্তাৰ, অন-লাইন বাণিজ্য, ডিমেট ব্যৱস্থা আৰু ডিপজিটৰী অংশগ্ৰহণ আদিৰ দৰে বিশেষ ব্যৱস্থাবোৰ কিছুদিনৰ পৰা প্ৰচলিত হোৱাৰ ফলত বৰ্ত্তমানৰ বিনিয়োগকাৰীয়ে অধিক পৰিস্কাৰ আৰু সুদক্ষ মাধ্যমিক বজাৰত বাণিজ্য কৰাৰ সুবিধা লাভ কৰিছে।

ইকুইটি শ্বেয়াৰৰ পৰা অৰ্জন হয় দুইধৰনে : এক, সাধাৰনতে এটা বছৰৰ অন্তত কোম্পানীবোৰে ডিভিডেন্ড ঘোষনা কৰে (কেতিয়াবা বছৰৰ মাজতো কৰে) আৰু দুই, ইকুইটি শ্বেয়াৰৰ বিক্ৰীত হোৱা পুজিবৃদ্ধিৰ লাভ।

ইকুইটি শ্বেয়াৰৰ বিনিয়োগত নগদীকৰন নিৰ্ভৰ কৰে বাণিজ্য কৰা শ্বেয়াৰৰ ৰাশিৰ ওপৰত। শ্বেয়াৰৰ বাণিজ্য সক্ৰিয় হলে বিনিয়োগকাৰীয়ে সহজে শ্বেয়াৰবোৰ বিক্ৰী কৰি ধনলাভ কৰিব পাৰে। অবশ্যে শ্বেয়াৰৰ বাণিজ্য নহলে (বা তালিকাৰ পৰা চ্যুত হলে) নগদীকৰনত বাধা আহি

পৰে। কাৰিকৰি ভাষাত ক'বলৈ গলে ডিমেট ব্যৱস্থাগত চিকিউৰিটী বজাৰত এক শ্বেয়াৰ কিনা সম্ভৱ আৰু বিনিয়োগৰ পৰিমাণ কম ৰখাৰ কাৰণে 50ৰ পৰা 100 শ্বেয়াৰৰ ক্ষুদ্ৰ গোটবোৰো কিনিব পৰা যায়।

প্ৰকৃতাৰ্থত ইকুইটি শ্বেয়াৰবোৰ অনিশ্চয়তা ভৰা। বিপদ আশংকা বহন কৰিবলৈ ইচ্ছুক বিনিয়োগকাৰীৰ বাবে ইকুইটি শ্বেয়াৰ এটা উপযোগী বিনিয়োগ সজুলি। এনে বিনিয়োগকাৰীয়ে অধিক অৰ্জন কৰিবলৈ বিপদ বহন কৰাত আগ্ৰহী হয়। দীৰ্ঘকালীন ভাবে সামগ্ৰিক পৰ্য্যয়িত ইকুইটি শ্বেয়াৰৰ অৰ্জন আন বিকল্পতকৈ অধিক হোৱাৰ কথাটো ঐতিহাসিকভাবে প্ৰমাণিত। অৱশ্যে বিনিয়োগ কৰা কোম্পানীৰ শ্বেয়াৰৰ চৰিত্ৰৰ ওপৰত নিৰ্ভৰ কৰি ব্যক্তিগত বিনিয়োগকাৰীৰ লাভ বা লোকচান হব পাৰে। বিনিয়োগকাৰী জন কোম্পানীবোৰৰ কাৰ্য্যদক্ষতাৰ বিষয়ে অবগত হোৱা উচিত। বিনিয়োগৰ কাৰ্য্যদক্ষতা বুজাৰ কাৰণে কোম্পানীৰ গঢ়গতি ভালকৈ পৰীক্ষা কৰি থাকিব লাগে। ইকুইটি বিনিয়োগ পৰিচালিত কৰাৰ বাবে বিনিয়োগকাৰী জনৰ বিত্ত তথা বজাৰ ব্যৱস্থাবোৰৰো জ্ঞান থকা উচিত। ইকুইটি বজাৰৰ গঢ়গতিবোৰ প্ৰতিফলিত হয় ইকুইটি ইন্ডেক্সবোৰ তথা সক্ৰিয় বাণিজ্যৰ আকাৰৰ চলনৰ ওপৰত।

## ডে'ট সজুলিবোৰ :

ডে'ট সজুলিয়ে বুজায় ধাৰ দিয়া (বিনিয়োগকাৰী) আৰু ধাৰ লোৱা (মুকলি কৰা) এই দুই পক্ষৰ মাজৰ কনট্ৰেক্টবোৰক। ডে'ট কনট্ৰেক্টে নিৰ্দিষ্ট কৰি দিয়ে সুদৰ হাৰ, সুদ আদায় কৰাৰ সময়, মূল পৰিমাণৰ পৰিশোধ ইত্যাদি। ভাৰতত 'ব'ন্ড'ৰ অৰ্থ হৈছে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰ আৰু ৰাজহুৱা খন্ডৰ গোটবোৰে বিলি কৰা এটা ডে'ট সজুলি। 'ডেবেনচাৰ'ৰ অৰ্থ হৈছে ব্যক্তিগত কৰ্পোৰেট খন্ডই মুকলি কৰা ডে'ট। ডে'ট সজুলিৰ মুখ্য বৈশিষ্ট্য ৰাজি হৈছে :

- পূৰ্ণতা
- কুপন
- মূল পৰিমাণ

পূৰ্ণতাই বুজায় মুল পৰিমাণ পৰিশোধ কৰিব লগা তাৰিখ। কুপন হৈছে লিখিত মূল্যৰ আধাৰিত সুদ গণনা কৰাৰ হাৰ। উদাহৰন স্বৰূপে এটা 10% 2010 ব'ন্ডৰ অৰ্থ হৈছে লিখিত মূল্য 100 টকা , প্ৰতি বছৰে 10%ৰ কুপন হাৰ আৰু 2010 চনত লিখিত মূল্যৰ পৰিশোধ।

কুপন হাৰটো গোটেইটো কালৰ বাবে নিৰ্ধাৰিত হব পাৰে নাইবা এটা মূলাধাৰ হাৰৰ লগত সংগতি থকা হব পাৰে। পাছৰটোৰ ক্ষেত্ৰত মূলাধাৰ হাৰটো সলনি হলে কুপন হাৰো সলনি হয়। এই সজুলিটোক ওপঙা হাৰ ডে'ট সজুলি বোলা হয়।

মূল পৰিমাণটো পূৰ্ণতাৰ তাৰিখৰ আগতে আয়ত্ব কৰাৰ বিকল্প থকা ডে'ট সজুলি আছে। যদি এই বিকল্পটো বিলি কৰা পক্ষৰ হাতত ন্যস্ত থাকে তেতিয়া ইয়াক আবেদনসূচক কোৱা হয়। যদি বিকল্পটো বিনিয়োগকাৰীৰ হাতত ন্যস্ত থাকে তেতিয়া ইয়াক লগাব পৰা বোলা হয়।

ভাৰতত অনেক প্ৰকাৰৰ ডে'ট সজুলি পোৱা যায়। এইবোৰ হৈছে :

- ৰাজহুৱা খন্ডৰ ব'ন্ড
- চৰকাৰী চিকিউৰিটী
- ট্ৰেজাৰী বিল
- ৰাজ্যিক অনুদান
- কৰ্পোৰেট ডেবেনচাৰ
- বিত্তীয় প্ৰতিষ্ঠানৰ ব'ন্ড
- বাণিজ্যিক নথিপত্ৰ
- ডিপোজিটৰ প্ৰমাণপত্ৰ

ডে'ট সজুলিৰ কাৰণে মাধ্যমিক বজাৰৰ কামকাজ চলে এক্সেঞ্জৰ ডে'ট বিভাগত। ডে'ট বজাৰৰ গঢ়গতিবোৰ প্ৰতিফলিত হয় ডে'ট ইনডেক্সবোৰ তথা সংগ্ৰহ সংখ্যাবোৰত। ভাৰতত ডে'ট বজাৰৰ কামকাজ প্ৰভাবাণ্বিত কৰি আহিছে বেংক আৰু প্ৰতিষ্ঠানবিলাকে।

## ব'ন্ড আৰু ডেবেনচাৰ

এটা ব'ন্ড হৈছে ক্ৰেতাই সজুলিৰ গৰাকীক দিয়া এক অনুদান। ব'ন্ডবোৰ মুকলি কৰে কোম্পানী, বিত্ত প্ৰতিষ্ঠান বা চৰকাৰে। যথাসময়ত প্ৰযোজ্য হোৱা নিৰ্ধাৰিত সুদ আদায়ৰ বাহিৰে ব'ন্ডৰ ধাৰকে সজুলিটোৰ বজাৰ মূল্য লাভ কৰিব নিৰ্দিষ্ট পূৰ্ণতাৰ তাৰিখত। ব'ন্ডক শ্ৰেণীবিভক্ত কৰা হয় (ক) কৰ বচোৱা ব'ন্ড তথা (খ) নিয়মিত আয় ব'ন্ডত। কৰ বচোৱা ব'ন্ডে বিনিয়োগৰ ধাৰ্য্য পৰিমাণলৈকে কৰৰ ৰেহাই আগবঢ়ায়। উদাহৰনবোৰ হৈছে :

ক) আইকৰ আইন 1961ৰ 88 নং অনুচ্ছেদৰ অধীনত আইচিআইচিআই ইনফ্ৰাষ্ট্ৰাকছাৰ ব'ন্ড,

খ) আইকৰ আইন 1961ৰ 54 ইচি অনুচ্ছেদৰ অধীনত নাবাৰ্ড/এনএইচএআই/আৰইচি ব'ন্ড,

গ) আৰবিআই কৰ ৰেহাই ব'ন্ড

নামটোৰ মতেই নিয়মিত আয় ব'ন্ডৰ উদ্দেশ্য হৈছে নিয়মিত, পূৰ্বে নিৰ্ধাৰিত কালৰ মূৰে মূৰে স্থিৰ উপাৰ্জনৰ যোগান ধৰা।

কোম্পানীয়ে বিলি কৰা একে ধৰনৰ সজুলিক বোলা হয় ডেবেনচাৰ। ব'ন্ডবোৰ সাধাৰনতে মূলধন বৃদ্ধি কৰাৰ উপযোগী নহয়। কেতিয়াবা সুদৰ হাৰ কমাৰ ঠিক আগে আগে বিনিয়োগ কাৰীয়ে কম দামত ব'ন্ড কিনে আৰু পাছত হোৱা সুদৰ হাৰৰ হ্ৰাসে ব'ন্ডৰ দাম বঢ়াই দিয়ে যিটোৱে মূলধন বৃদ্ধি ঘটায়।

নিয়মিত আয়ৰ লক্ষ্যৰ বাবে ব'ন্ডবিলাক উপযোগী। ব'ন্ডৰ ধৰনৰ ওপৰত নিৰ্ভৰ কৰি বিনিয়োগকাৰীৰয়ে সুদ লাভ কৰিব পাৰে প্ৰতি ছমাহত বা মাহিলী আয় ব'ন্ডৰ ক্ষেত্ৰত আনকি প্ৰতি মাহতে। নিজৰ বিপদ আশংকা বহন কৰাৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি এজনে উচ্চ-পৰ্য্যায়ৰ কৰ্পোৰেটে মুকলি কৰা নাইবা তলৰ ক্ৰেডিট ৰেটিং প্ৰাপ্ত কোম্পানীয়ে মুকলি কৰা ব'ন্ডৰ প্ৰতি আগ্ৰহী হব পাৰে। সাধাৰনতে উচ্চ-পৰ্য্যাযৰ কৰ্পোৰেটে তলৰ ক্ৰেডিট ৰেটিং পোৱা কোম্পানীতকৈ কম সুদৰ হাৰত ব'ন্ডৰ যোগান ধৰে।

## কোম্পানী ডেবেনচাৰ

ডেবেনচাৰ হৈছে ডে'ট সজুলি। কোম্পানীবোৰে ধাৰ কৰে ডেবেনচাৰ ধাৰক সকলৰ পৰা আৰু সাধাৰনতে এওলোকৰ প্ৰতি আগবঢ়ায় নিৰ্ধাৰিত সুদৰ হাৰ। বেচিভাগ ডেবেনচাৰেই মোকলোৱা হয় নিৰ্দিষ্ট কালৰ পাছত। মুকলি কৰাৰ স্বৰ্ত্তবোৰৰ ওপৰত নিৰ্ভৰ কৰি এই কালছোৱা চমু (18 মাহতকৈ কম) বা দীৰ্ঘ হব পাৰে। কিছুমান ক্ষেত্ৰত কোম্পানীবোৰে পূৰ্ণতাৰ সময়ত এটা প্ৰীমিয়াম প্ৰদান কৰে।

বিনিয়োগকাৰীৰয়ে কোম্পানীয়ে মুকলি কৰা ৰাজহুৱা যোগানৰ পৰা ডেবেনচাৰ লব পাৰে অথবা মাধ্যমিক বজাৰৰ পৰা ডেবেনচাৰ কিনিব পাৰে। এই চিকিউৰিটী বিলাকৰ অবধাৰ্য্য অৰ্জনৰ পৰিপ্ৰেক্ষিতত শ্বেয়াৰৰ তুলনাত এই ডেবেনচাৰবোৰৰ দামৰ উঠানমা কম হয়। বিনিয়োগকাৰীৰয়ে অৰ্জন কৰে সুদ আৰু পুজি বৃদ্ধিৰ লাভ (কিনা দাম আৰু বেচা দামৰ মাজৰ পাৰ্থক্য নাইবা পূৰ্ণতাৰ সময়লৈকে ধাৰন কৰিলে কিনা দাম আৰু পূৰ্ণতাৰ দামৰ মাজৰ পাৰ্থক্য)।

লিখিত মূল্য আৰু বজাৰ মূল্যৰ মাজৰ সম্পৰ্কৰ ওপৰত নিৰ্ভৰ কৰি ডেবেনচাৰৰ ফিৰ?লাভ



নিৰ্দিষ্ট সুদৰ হাৰতকৈ কম বা বেচি হব পাৰে। উদাহৰন স্বৰূপে ধৰি লওক যে 100 টকাৰ 15% সুদ থকা ডেবেনচাৰ এটা 90 টকাত কিনা হৈছে। মূল্য শোধোৱা হৈছে 90 টকা আৰু আনহাতে সুদৰ পৰা আয় হল 15 টকা। অৰ্থা? সুদৰ হাৰ আচলতে হবগৈ 16.67%।

ওপৰৰ উদাহৰনটোত বিনিয়োগকাৰীজনে কোম্পানীৰ পৰা 100 টকা (লিখিত মূল্য) ঘূৰাই পাব যদি তেও পূৰ্ণতাৰ সময়লৈকে ডেবেনচাৰ ধাৰন কৰে। গতিকে 16.67% সুদৰ হাৰৰ উপৰিও তেও পুজিৰ লাভৰ ৰুপত 10 টকা লাভ কৰিব। অৰ্জনৰ হিচাপৰ বাবে পুজিৰ লাভটোও যেতিয়া ধৰা হয় ইয়াক কোৱা হয় ইল্দ টু মেচিউৰিটি (ওৱাইটিএম)। এই অধ্যায়ৰ পৰিশিষ্টত ৱাইটিএম গণনা কৰি দেখুৱা হৈছে।

দুখৰ কথা যে ভাৰতীয় বজাৰত এতিয়ালৈকে এনেবোৰ সজুলি অবহেলিত হৈ থকাৰ কাৰণে ডেবেনচাৰৰ নগদী কৰনো কম হৈ আছে। ষ্টক এক্সেঞ্জত সক্ৰিয় ভাবে বাণিজ্য চলা ডেবেনচাৰৰ সংখ্যা অতি নগন্য।

বেচিভাগ ডে'ট ইছুকে ক্ৰেডিট ৰেটিং সংস্থাই ৰেটিং দিয়াটো প্ৰয়োজনীয় কথা। ৰেটিঙৰ অৰ্থ হৈছে সজুলিটোৰ গুণমান। ক্ৰেডিট ৰেটিঙৰ এটা বিৱৰণী তলত দিয়া হৈছে :

| ক্ৰেডিট ৰেটিং প্ৰতীকবোৰ তথা ইহঁতৰ অৰ্থ* | |
|---|---|
| বিনিয়োগৰ উচ্চ গ্ৰেদ | |
| AAA | সৰ্বাধিক নিৰাপত্তা |
| AA | অধিক নিৰাপত্তা |
| বিনিয়োগ গ্ৰেদ | |
| A | যথেষ্ট নিৰাপত্তা |
| BBB | সাধাৰন নিৰাপত্তা |
| গণনামূলক গ্ৰেদ | |
| BB | কম নিৰাপত্তা |
| B | অধিক বিপদ আশংকা |
| C | বৰ বেচি বিপদ আশংকা |
| D | যোগ্য নহয় |

বেলেগ ৰেটিং সংস্থাই দিয়া প্ৰতীকবোৰ ওপৰত দিয়া বোৰতকৈ বেলেগ হব পাৰে।

উচ্চ গুণমানৰ ডেবেনচাৰৰ অৰ্জন স্থিৰ হয় আৰু ৱাইটিএম'ৰ আধাৰত আগতীয়াকৈ জানিব পাৰি। কোম্পানীয়ে ধন আদায় দিয়াত কিবা গাফিলতি কৰিলেহে এনে অৰ্জনৰ পৰিমাণ সলনি হব পাৰে। বিনিয়োগকাৰীজন বিনিয়োগ পৰিচালনাত সক্ৰিয়ভাবে জড়িত নহলে চলিব। অবশ্যে কোম্পানীৰ কামৰ ওপৰত অলপ নজৰ ৰাখিব লাগিব। ইয়াৰ কাম বেয়া হলে সুদৰ ধন আদায় দিয়াত বা মূল পৰিমাণ ঘূৰাই দিয়াত ই বিফল হব পাৰে।

ডেবেনচাৰৰ দাম নিৰ্ভৰ কৰে সজুলিবোৰৰ লিখিত মূল্যৰ ওপৰত। অতিকে সাধাৰন লিখিত মূল্য হৈছে 100 টকা। গতিকে 10,000 টকাৰ দৰে কম পৰিমাণৰ বিনিয়োগো ইয়াত কৰিব পাৰি।

## ৰাজহুৱা খন্ড আৰু বিত্ত প্ৰতিষ্ঠানৰ ব'ন্ড।

ৰাজহুৱা খন্ডৰ উদ্যোগ তথা বিকাশমূলক বিত্ত প্ৰতিষ্ঠানবোৰৰ দ্বাৰা সময়ে সময়ে বিভিন্ন ব'ন্ড মুকলি কৰা হয়। বেচিভাগ ব'ন্ডেই মাহিলী সুদ, তিনিমহীয়া সুদ, বিভিন্ন পৰিশোধ বিকল্প, দিপ ডিছকাউন্ট ব'ন্ড বিকল্প আদি আকৰ্ষনীয় আচনি আগবঢ়ায়।

দিপ ডিছকাউন্ট ব'ন্ড হৈছে এটা দীৰ্ঘকালীন ব'ন্ড য'ত বিনিয়োগ কৰা প্ৰাথমিক পৰিমাণটো বাঢ়ি গৈ থাকে মূল পৰিমাণৰ পৰা হোৱা সুদৰ জমাৰ ওপৰত নিৰ্ভৰ কৰি। উদাহৰন স্বৰূপে আজিৰ 2800 টকাৰ বিনিয়োগে 30 বছৰৰ পাছত 1,00,000 টকাৰ অৰ্জন দিব পাৰে।

ব'ন্ডবোৰৰ দাম নিৰ্ভৰ কৰে সজুলিবোৰৰ লিখিত মূল্যৰ ওপৰত। অতিকে সাধাৰন মূল্য হৈছে 100 টকা। নূন্যতম পৰিমাণবিলাক সাধাৰনতে 5000 টকাৰ আশে পাশে হয়। এজন বিনিয়োগীকাৰী বিনিয়োগ পৰিচালনাত সক্ৰিয়ভাবে জড়িত নহলে চলে।

## আৰবিআই কৰমুক্ত ব'ন্ড

আৰবিআই কৰমুক্ত ব'ন্ড হৈছে আৰবিআই'এ আগবঢ়োৱা কৰমুক্ত সুবিধা থকা বিশেষ ব'ন্ড। নিয়মিত ব'ন্ডতকৈ ইহঁতৰ সুদৰ হাৰ সাধাৰনতে কম হয় (প্ৰায় 7.5%) আৰু সেয়েহে ইহঁতে ওপৰৰ পৰ্য্যায়ৰ কৰদাতাকহে আকৰ্ষিত কৰে। এই ব'ন্ডবোৰ সাধাৰনতে দীৰ্ঘকালীন সজুলি হয়।

দেশৰ কেন্দ্ৰীয় বেংকটোৰ পৰা অহাৰ কাৰণে আৰবিআই কৰমুক্ত ব'ন্ড বৰ নিৰাপদ। ইহঁতৰ পৰা হোৱা অৰ্জনো স্থিৰ আৰু ইয়াক অগতীয়াকৈ জানিব পাৰি ওৱাইটিএম'ৰ আধাৰত। এজন প্ৰকৃত ধাৰকৰ কাৰণে 4.5%ৰ কৰমুক্ত অৰ্জনৰ অৰ্থ হব কৰদানৰ পূৰ্বে 12% ৰো অধিক 30% ৰ সৰ্বাধিক কৰৰ হাৰৰ ক্ষেত্ৰত।



## মিউচুৱেল ফান্ড আচনি

মিউচুৱেল ফান্ড হৈছে ক্ষুদ্ৰ বিনিয়োগকাৰীৰ পৰা ধন সংগ্ৰহ কৰা গোট যিবোৰে এনে ধন একত্ৰিত কৰি বিভিন্ন ইকুইটি তথা ডে'ট সজুলিবোৰত (নাইবা আনকি মুদ্ৰা বজাৰৰ সজুলি আৰু চৰকাৰী চিকিউৰিটীও) বিনিয়োগ কৰে। মিউচুৱেল ফান্ডে উপযুক্ত বিত্ত বিশেষজ্ঞ নিয়োগ কৰে যিসকলে বজাৰৰ খুটিনাটি মাৰি গবেষনা কৰে। এইটো কাম ব্যক্তিগত বিনিয়োগকাৰীয়ে ভালকৈ কৰিব পৰাটো সম্ভব নহব পাৰে। তাৰোপৰি ইহঁতৰ নিধিৰ বিশাল অধাৰৰ কাৰণে এই গোটবোৰক কোম্পানীৰ কৰ্তৃপক্ষই বিশেষ গুৰুত্ব দিয়ে।

মিউচুৱেল ফান্ড আচনিবোৰ অপেন এন্ডেড্ বা ক্লজ এন্ডেড্ হব পাৰে। অপেন এন্ডেড্ আচনিৰ স্থায়ী পূৰ্ণতা নাথাকে। বিনিয়োগকাৰীয়ে ফান্ডটোৰ পৰা/ফান্ডটোক ইউনিট কিনিব/বেচিব পাৰে প্ৰকৃত সম্পদ মূল্য বা নেট এছেট ভেল্যু (এনএভি) ৰ দ্বাৰা নিৰ্ধাৰিত দামত। এটা লোডৰ সৈতে বা অবিহনে, ফান্ডৰ দ্বাৰা কিনা বা বিক্ৰী কৰাৰ সময়ত প্ৰযোজ্য কৰি। অপেন এন্ডেড্ মিউচুৱেল ফান্ডত নগদীকৰন অতি বেচি। ক্লজ এন্ডেড্ মিউচুৱেল ফান্ডৰ ক্ষেত্ৰত নগদীকৰন নিৰ্ভৰ কৰে ইউনিটবোৰ তালিকাভুক্ত কৰি ৰখা ষ্টক এক্সেঞ্জত ক্ৰেতা আৰু বিক্ৰেতাৰ উপস্থিতিৰ ওপৰত। এইদৰে নগদীকৰন হৈ পৰে যিকোনো তালিকাভুক্ত শ্বেয়াৰৰ দৰে।

ক্লজ এন্ডেড্ আচনিবোৰ ষ্টক এক্সেঞ্জৰ তালিকাত থাকিব পাৰে আৰু তালিকাভুক্ত দামত বাণিজ্য চলিব পাৰে। যদিহে তালিকাত নাথাকে তেতিয়া মিউচুৱেল ফান্ডে পুন:ক্ৰয়ৰ সুবিধা দিব। বিনিয়োগকাৰীৰ ধাৰনা,

চাহিদা আৰু যোগান পৰিস্থিতি ইত্যাদি কাৰণত এই দামবোৰ এনএভি'ৰ পৰা যথেষ্ট বেলেগ হব পাৰে। ভাৰতীয় সাংখ্য বিৱৰনৰ মতে তালিকাভুক্ত দামবোৰ সাধাৰনতে এনএভি তকৈ কম হয়।

মিউচুৱেল ফান্ড উদ্যোগত এনএভি এটা চিনাকী নাম আৰু ই বুজায় নেট এছেট ভেল্যু। প্ৰতি ইউনিটৰ এনএভি সমান হয় :

দায়বদ্ধতা বাদ দি আচনিখনৰ সম্পদবোৰৰ বজাৰ মূল্য

*হৰন*

বাকী থকা ইউনিটৰ সংখ্যা

মিউচুৱেল ফান্ড আচনিবোৰ মুকলি কৰা হয় কেতবোৰ লক্ষ্যৰ সৈতে যিবোৰে ইহঁতৰ বিনিয়োগৰ ধৰন নিৰ্ধাৰিত কৰে। বাঢ়নভিত্তিক আচনিয়ে মূলত: ইকুইটিত বিনিয়োগ কৰিব আৰু এটা প্ৰধান লক্ষ্য হিচাপে বিচাৰিব পুজিবৃদ্ধিৰ লাভ। ঋণ-মূলক আচনিয়ে মুলত: বিনিয়োগ কৰিব ডে'ট সজুলিবোৰত আৰু প্ৰধান লক্ষ্য হিচাপে বিচাৰিব নিয়মিত আয়। এখন সংহত আচনিয়ে ইকুইটি আৰু ডে'টত আংশিক ভাবে বিনিয়োগ কৰে আৰু বাঢ়ন তথা আয়ৰ লক্ষ্য দুটাৰ মিশ্ৰণ ঘটায়। কৰ বচোৱা আচনিবোৰ সজোৱা হয় বিনিয়োগকাৰীক কৰৰ ৰেহাই দিয়াৰ কাৰণে।

কিছুদিনৰ পৰা মিউচুৱেল ফান্ডবোৰে ইন্ডেক্স ফান্ড, নিৰ্দিষ্ট খন্ডৰ ফান্ড, মুদ্ৰা বজাৰ ফান্ড, গিল্ট ফান্ড আদিৰ দৰে কেতবোৰ অভিনব আচনি মুকলি কৰিব ধৰিছে। ইন্ডেক্স ফান্ডে বিনিয়োগ কৰিব বিচাৰে ইন্ডেক্স ষ্টকবোৰত (অৰ্থা? ছেনছেক্স, নিফ্‌টি আদি নিৰ্ধাৰিত কৰাৰ বাবে ব্যৱহাৰ কৰা ষ্টকবোৰ মাত্ৰ)। নিৰ্দিষ্ট খন্ডৰ ফান্ডে বিনিয়োগ কৰিব বিচাৰে ঔষধি বা চফ্‌টৱেৰ আদিৰ দৰে নিৰ্দিষ্ট খন্ডত। মুদ্ৰা বজাৰ ফান্ড আৰু গিল্ট ফান্ডবোৰে বিনিয়োগ কৰিব বিচাৰে সেইবোৰ বজাৰতহে।

বেচিভাগ মিউচুৱেল ফান্ডে ফান্ডত সোমাব খোজা বা ইয়াৰ পৰা ওলাব খোজা বিনিয়োগকাৰীৰ ওপৰত এটা অতিৰিক্ত মাচুল লগায়। প্ৰবেশৰ সময়ত লগোৱা মাচুলক 'এন্ট্ৰি লোড' আৰু প্ৰস্থানৰ সময়ত লগোৱা মাচুলক 'এক্সিট লোড' বোলা হয়। লক্ষ্যনীয় যে এই লোড্ বোৰ স্থিৰ কৰি দিয়া হয় এনএভি'ৰ এটা শতকৰা ভাগত - উদাহৰন - এনএভি'ৰ 1.5% ৰ এন্ট্ৰি লোড্। কিছুমান ফান্ডে বিনিয়োগৰ মাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰি ভিন্ন লোড্ লগায়। উদাহৰন - এক লাখ টকাৰ তলৰ বিনিয়োগৰ কাৰণে এন্ট্ৰি লোড্ হব পাৰে 1.5% আৰু ইয়াতকৈ অধিক পৰিমাণৰ কাৰণে 1% হব পাৰে।

*ঋণ-মূলক মিউচুৱেল ফান্ড*

এই ফান্ডবোৰে বিনিয়োগকাৰীক নিয়মিত অৰ্জন দিব খোজে আৰু বিনিয়োগ কৰে বিপদাশংকা কম থকা ডে'ট সজুলিবোৰত (ইকুইটিৰ তুলনাত)। এইদৰে ইহঁতে ফান্ড তথা ইয়াৰ বিনিয়োগকাৰীসকলৰ বাবে নিয়মিত আয় প্ৰশস্ত কৰিব খোজে।

ফান্ডৰ বিনিয়োগৰ প্ৰকৃতিৰ পৰিপ্ৰেক্ষিতত ঋণ-মূলক ফান্ডবোৰত নিৰাপত্তাৰ স্তৰ যথেষ্ট অধিক। বিনিয়োগ পৰিচালনাত বিনিয়োগকাৰীজন সক্ৰিয়ভাবে জড়িত নহলেও চলে। অৱশ্যে এনএভি'ৰ চলনৰ প্ৰতি তেও সতৰ্ক থাকিব লাগে। ডে'ট ফান্ডৰ পৰা হোৱা অৰ্জন স্থিৰে থাকিব বুলি আশা কৰা হয় যদিও সুদৰ হাৰ সলনি হলে এনএভি'ৰ উঠানমা হব পাৰে।



*ইকুইটি ভিত্তিক মিউচুৱেল ফান্ড*

এই ফান্ডবোৰে ইকুইটিত বিনিয়োগ কৰে আৰু পুজিবৃদ্ধিৰ লাভ সূচনা কৰে। বেচিভাগ মিউচুৱেল ফান্ডৰ ক্ষেত্ৰতে 2/3 দিনৰ ভিতৰতে পৰিশোধকৰন লাগু কৰিব পৰা যায়।

নিৰাপত্তাৰ স্তৰবোৰ নিম্ন আৰু বিনিয়োগকাৰীয়ে নিজে প্ৰত্যক্ষভাবে শ্বেয়াৰত কৰা বিনিয়োগতকৈ কিছু উন্নত। কাৰণ বেচিভাগ মিউচুৱেল ফান্ডে ইকুইটিৰ বাস্কেটত বিনিয়োগ কৰে আৰু বাস্কেটৰ দ্বাৰা ব্যক্তিগত বিপদাশংকাবোৰ কম কৰিব পৰা হয়। ইকুইটি ফান্ডৰ অৰ্জন অনিশ্চয়তাপূৰ্ণ আৰু সাধাৰনভাবে ই বজাৰৰ চলনৰ ওপৰত তথা বিশেষভাবে মিউচুৱেল ফান্ডৰ বিনিয়োগ পাৰদৰ্শিতাৰ ওপৰত নিৰ্ভৰ কৰিব। বিনিয়োগ পৰিচালনাত বিনিয়োগকাৰীজন সক্ৰিয়ভাবে জড়িত নহলে চলে। অৱশ্যে তেও এনএভি তথা লোডৰ প্ৰতি নজৰ ৰাখিব লাগিব।

মিউচুৱেল ফান্ড তথা বিত্তীয় প্ৰতিষ্ঠানৰ কৰ বচোৱা আচনিসমূহ

বিনিয়োগকাৰীক নিৰ্দিষ্ট কৰৰ ৰেহাই দিয়াৰ কাৰণে চৰকাৰৰ অনুমোদন লাভ কৰাৰ পাছত মিউচুৱেল ফান্ড তথা বিত্তীয় প্ৰতিষ্ঠানবোৰে এনে আচনি মুকলি কৰে। বিনিয়োগ বিকল্পবোৰৰ আন আন বৈশিষ্ট্য আমি ওপৰত আলোচনা কৰা মিউচুৱেল ফান্ড তথা বিত্তীয় প্ৰতিষ্ঠানৰ বিকল্পৰ নিয়মিত বৈশিষ্ট্যৰাজিৰ দৰেই।

দেৰিভেটিভ সামগ্ৰী

ভবিষ্যনিধি, বিকল্প, ফৰৱাৰ্ড, ৱাৰেন্ট আৰু ছোৱাপক দেৰিভেটিভ সামগ্ৰী বোলা হয়। ইহঁতে নিজৰ মুল্য আহৰন কৰে আন সম্পদ, ইন্ডেক্স বা ৰেফাৰেঞ্চ ৰে'টৰ পৰা।

এটা ফৰৱাৰ্ড কনট্ৰেক্ট হৈছে এক নিয়মিত কনট্ৰেক্ট য'ত সন্মতিদান হয় ভবিষ্যতৰ এটা তাৰিখত। কিন্তু দাম বোৰ হয় কনট্ৰেক্ট খন লিখাৰ দিনৰ আধাৰত।

ফউচাৰ্ছ কনট্ৰেক্টখন ফৰৱাৰ্ড কনট্ৰেক্টৰ দৰেই। মাত্ৰ ইয়াক ষ্টেন্ডাৰ্ডাইজ কৰা হয় আৰু ইয়াৰ বাণিজ্য কৰা হয় দেৰিভেটিভ এক্সেঞ্জত।

এটা বিকল্পই ক্ৰেতাজনক এটা সম্পদ কিনা / বেচা কৰাৰ অধিকাৰ দিয়ে, দায়বদ্ধতা নহয়। ভবিষ্যতৰ এটা তাৰিখত স্থিৰ হোৱা বাণিজ্যৰ দামবোৰ ঠিক কৰা হয় কনট্ৰেক্টখন লিখা দিনৰ আধাৰত। বিকল্পৰ ক্ৰেতাজনে প্ৰীমিয়াম বোলা এটা মূল্য দিয়ে। এটা সম্পদ কিনাৰ অধিকাৰ

প্ৰদান কৰা বিকল্পক কল অপ্‌ছন বোলা হয়। যেতিয়া প্ৰদত্ত অধিকাৰটো সম্পদ বেচাৰ অধিকাৰ হয় ইয়াক কোৱা হয় পুট অপ্‌চন। ৱাৰেন্ট হৈছে ইকুইটি শ্বেয়াৰত কৰা দীৰ্ঘদিনৰ তাৰিখ থকা কল অপ্‌ছন।

## চলিত বিকল্পবোৰৰ চানেকী

| বিনিয়োগ বিকল্প | নগদীকৰন | নিৰাপত্তা | সক্ৰিয় সহযোগ লাগেনে ? | কৰ সঞ্চয় | প্ৰয়োজনীয় পৰিমাণ |
|---|---|---|---|---|---|
| ইকুইটি শ্বেয়াৰ | সাধাৰনৰ পৰা অধিক | নিম্ন | সাধাৰনতে লাগে | দীৰ্ঘ কালৰ নিম্ন কৰ | মধ্যমীয়া |
| কোম্পানী ডেবেনচাৰ | নিম্ন | সাধাৰন | সাধাৰনতে নেলাগে | কৰৰ অধ্যায় চাওক | মধ্যমীয়া |
| ৰজহুৱা খন্ড আৰু এফ আই ব'ন্ড | সাধাৰন | অধিক | নেলাগে | কৰৰ অধ্যায় চাওক | নিম্ন |
| আৰবিআই কৰমুক্ত ব'ন্ড | সাধাৰন | অধিক | নেলাগ | কৰ নাই | নিম্ন |
| ডে'ট ভিত্তিক মিউচুৱেল ফান্ড | অধিক | সাধাৰন | নেলাগে | সাধাৰন | নিম্ন |
| ইকুইটি ভিত্তিক মিউচুৱেল ফান্ড | অধিক | নিম্ন | নেলাগে | ভাল | নিম্ন |

ওপৰৰ টেবুলখন এক চানেকীহে। প্ৰতিটো বিকল্পৰে আকৰ্ষন সলনি হৈ থাকে প্ৰায় প্ৰতিদিনেই - অৰ্থনৈতিক অবস্থা, চৰকাৰৰ নীতি আৰু আন কথাবোৰৰ ওপৰত নিৰ্ভৰ কৰি।





# ইল্‌দ টু মেচিউৰিটি

ৰিলায়েঞ্চ পেট্ৰোলিয়াম ট্ৰিপোল অপ্‌ছন কনভাৰ্টিবোল ডেবেনচাৰৰ উদাহৰন লও আহক। আমি ধৰি লও যে 1999 চনৰ 31 আগষ্টত ডেবেনচাৰ পোৱা যায় 65 টকাকৈ আৰু ইয়াৰ পৰিশোধকৰন হব তলত দিয়া ধৰনে :

20 টকা 1999ৰ 30 নবেম্বৰত

30 টকা 2000ৰ 30 নবেম্বৰত

20 টকা 2001ৰ 30 নবেম্বৰত

এই বাণিজ্যৰ পৰা বিনিয়োগকাৰীয়ে অৰ্জন কৰা ইল্‌দ টু মেচিউৰিটি কি হব ?

আভ্যন্তৰীন ৰেট অব্ ৰিটাৰ্ন (আইআৰআৰ) প্ৰক্ৰিয়াৰ যোগেদি আপুনি ইল্‌দ টু মেচিউৰিটি লাভ কৰিব কম্পিউটাৰ স্প্ৰেডশ্বিটত। মোটামেটি ভাবে গণনাৰ চেষ্টা এটা কৰি চোৱা যাওক। ধৰি লওক ওৱাইটিএম হৈছে বাৰ্ষিক 18%।

তিনিমাহৰ কাৰণে (চেপ্তে; আক্টো: আৰু নবে:1999) বিনিয়োগ কৰা 65 টকাত সুদৰ পৰিমাণ হব 2.93 টকা। গতিকে ঘূৰাই পোৱা 20 টকাত সোমাই থাকিব সুদৰ 2.93 টকা আৰু মূলধনৰ 17.07 টকা। বিনিয়োগকৃত বাকী মূলধন হব 65 টকা বিয়োগ 17.07 টকা অৰ্থা? 47.93 টকা।

এই 47.93 টকাৰ ওপৰত আপুনি 18% অৰ্জন কৰিব 2000 চনৰ 30 নবেম্বৰত শেষ হব লগা বছৰটোৰ কাৰণে। এই পৰিমাণ হব 8.63 টকা। গতিকে কোম্পানীয়ে আপোনাক দিয়া 30 টকাত থাকিব 8.63 টকা সুদ আৰু বাকী অংশ মূলধনৰ 21.37 টকা। এইদৰে আপোনাৰ চলিত মূলধন হবগৈ 47.93 টকা বিয়োগ 21.37 টকা অৰ্থা? 26.56 টকা।

এই 26.56 টকাৰ ওপৰত আপুনি 18% অৰ্জন কৰিব 2001 চনৰ 30 নবেম্বৰত শেষ হব লগা বছৰটোৰ বাবে। এই পৰিমাণ হব 4.78 টকা। গতিকে কোম্পানীয়ে আপোনাক দিয়া 30 টকাত থাকিব 4.78 টকা সুদ আৰু বাকী মূলধনৰ 26.22 টকা। অৱশ্যে আপোনাৰ প্ৰকৃত মূলধনটো হৈছে 26.56 টকা।

ইয়াৰ অৰ্থ হৈছে আমি এটা উচ্চ ওৱাইটিএম ধৰি লৈছো। ওৱাইটিএম কমাই লৈ আমি পুনৰ গণনা কৰা উচিত। যিটো অৰ্জনৰ পৰা আমি মূলধনৰ বাকী অংশ 26.56 টকা লাভ কৰো সেইটো হৈছে 16.73%। তলৰ টেবুলখনে এই হিছাপবোৰ দেখুৱাইছে।

| পৰিশোধ | আদায় দিয়া পৰিমাণ | সুদ | আদায় দিয়া মূলধন | বকেয়া মূলধন |
|---|---|---|---|---|
| 30 নবেম্বৰ, 1999 | 20.00 | 2.72 | 17.28 | 47.72 |
| 30 নবেম্বৰ, 2000 | 30.00 | 7.98 | 22.02 | 25.70 |
| 30 নবেম্বৰ, 2001 | 30.00 | 4.30 | 25.70 | শূণ্য |





# চিকিউৰিটীৰ বাণিজ্য কিদৰে হয় ?

## মনত ৰাখিব লগীয়া কথাবোৰ :

আপুনি চিকিউৰিটীত বিনিয়োগ কৰাৰ আগতে তলত দিয়া কথাবোৰ মনত ৰখা উচিত :

i. চিকিউৰিটীত এটা নিয়ন্ত্ৰক ব্যৱস্থা আছে নে নাই আৰু যিকোনো পৰিস্থিতত আপুনি নিৰাপদে থাকিব নে নাথাকে;

ii. মুকলি কৰা চিকিউৰিটী চলিত আইনৰ প্ৰক্ৰিয়াগত হয় নে নহয়;

iii. চিকিউৰিটীত সিপক্ষৰ বিপদাশংকা আছেনে নাই;

iv. আপোনাৰ নগদ ধনৰ প্ৰয়োজন পূৰণ কৰাৰ জোখাৰে এই চিকিউৰিটীৰ নগদীকৰন কৰিব পাৰিনে নোৱাৰি;

v. বিপদাশংকাৰ অনুপাতে চিকিউৰিটীয়ে অৰ্জন দিয়েনে নিদিয়ে; আৰু

vi. চিকিউৰিটীয়ে আপোনাৰ বিনিয়োগ টোপোলাটোত খাপ খাই আপোনাৰ বিনিয়োগৰ লক্ষ্যবোৰ পূৰণ কৰে নে নকৰে (বিভক্তকৰন, বিনিয়োগ সীমা, অৰ্জনৰ নিয়মিতকৰন, বাঢ়নৰ সুযোগ, মুকলি কৰাজনৰ স্থিতি, ইত্যাদি)।

## চিকিউৰিটীৰ ধনলৈ ৰূপান্তৰ :

ষ্টক এক্সেঞ্জত তালিকাভুক্ত তথা সক্ৰিয় বাণিজ্য চলা চিকিউৰিটী আপুনি ধনলৈ ৰূপান্তৰিত কৰিব পাৰে। এটা এক্সেঞ্জত আপুনি চিকিউৰিটী বিক্ৰী কৰিব পাৰে আৰু এক্সেঞ্জটোৰ নিষ্পত্তিকৰন কাল অনুসৰি নগদ ধন লাভ কৰিব। ষ্টক এক্সেঞ্জত কৰা বাণিজ্যৰ নিষ্পত্তিকৰন গেৰান্টি থকাৰ কাৰণে আপুনি ধনখিনি সময়ত পাবই। যদি কিবা কাৰণত আপুনি পইচাটো নাপায় আপোনাৰ দাবী নিষ্পত্তি কৰাৰ এটা বিভাগেই আছে। অৱশ্যে সকলোবোৰ চিকিউৰিটী এক্সেঞ্জৰ তালিকাভুক্ত নহয় আৰু সকলোবোৰ তালিকাভুক্ত চিকিউৰিটীত সক্ৰিয় বাণিজ্য নহয়। যদি নগদীকৰন আপোনাৰ বাবে অতিকে দৰকাৰী কথা হয় তেন্তে আপুনি চিকিউৰিটীটোৰ বাণিজ্যৰ ইতিহাস পৰীক্ষা কৰি লোৱা উচিত।

## চিকিউৰিটীৰ আয়ত্বকৰন :

প্ৰাথমিক বজাৰত কৰ্পোৰেট/চৰকাৰ/মিউচুৱেল ফান্ডৰ দ্বাৰা কৰা ইছুৰ গ্ৰাহক হৈ আপুনি চিকিউৰিটী আয়ত্ব কৰিব পাৰে। নাইবা মাধ্যমিক বজাৰত ইহঁতক কিনিব পাৰে। গ্ৰাহক হোৱাৰ ক্ষেত্ৰত আপোনাৰ বিকল্প আছে পাব্লিক ইছুত মুকলি কৰোতাই নিৰ্ধাৰিত কৰা দৰ গ্ৰহণ কৰা নাইবা বুক বিল্দিং / নীলামৰ যোগেদি বিনিয়োকাৰীসকল ঠিক কৰা দৰ গ্ৰহণ কৰাৰ। কোম্পানীয়ে আগবঢ়োৱা ৰাইটছ্ ইছুৰো আপুনি গ্ৰাহক হব পাৰে। কোম্পানীয়ে দিয়া বোনাচৰ ৰূপতো আপুনি চিকিউৰিটী লাভ কৰে। চিকিউৰিটী/মিউচুৱেল ফান্ডৰ ইউনিট লোৱাৰ আগতে আপুনি ইছু নথিপত্ৰবোৰ সম্পূৰ্ণকৈ বুজি লবই লাগিব - বিশেষকৈ বিপদাশংকাৰ কথাবোৰ। ছেবিৰ দ্বাৰা পঞ্জীকৃত ব্ৰকাৰ/চাব-ব্ৰকাৰৰ যোগেদি আপুনি ষ্টক এক্সেঞ্জতো চিকিউৰিটী কিনিব বা বেচিব পাৰে।

## বিনিয়োগকাৰীৰ অধিকাৰ তথা দায়িত্ব :

আপোনাৰ বিনিয়োগ সম্পৰ্কীয় নথিপত্ৰয়বোৰ পোৱাটো আপোনাৰ অধিকাৰ। আপুনি বাণিজ্য কৰিব খোজা মধ্যবৰ্ত্তী সংস্থাটোৰ পঞ্জীকৰনৰ প্ৰমাণপত্ৰখন আপুনি বিচাৰিব পাৰে আৰু ইয়াৰ সত্যতা নিৰূপন কৰিব পাৰে। বন্টনৰ সময়ত বাবদলিকৰনত আপুনি চিকিউৰিটীবোৰ সময়মতে পাবই লাগিব। আপুনি চিকিউৰিটীৰ পৰা যদি শ্বেয়াৰৰ ধাৰক হৈ পৰে তেনেক্ষেত্ৰত আপুনি সময়মতে ডিভিডেন্ড আৰু ৰাইটছ্ বোনাচ আদিৰ দৰে আন আন কৰ্পোৰেট সুবিধাবোৰো পোৱা উচিত। আপোনাৰ অধিকাৰ আছে সাধাৰন সভাবোৰত ভাগলোৱাৰ তথা ভোটদান কৰাৰ, বাৰ্ষিক প্ৰতিবেদনৰ কপি লাভ কৰাৰ, কোম্পানী এটা উঠাই দিয়াৰ আবেদন কৰাৰ, ইত্যাদি। আপুনি ডেবেনচাৰ ধাৰক হোৱাৰ ক্ষেত্ৰেত আপোনাৰ অধিকাৰ আছে সময়মতে সুদ/পৰিশোধ লাভ কৰাৰ আৰু ধাৰ মাৰিবলৈ বিফল হোৱা কোম্পানী উঠাই দিয়াৰ বাবে আবেদন কৰাৰ। আপুনি ষ্টক এক্সেঞ্জত বাণিজ্য কৰাৰ ক্ষেত্ৰত আপুনি সেই সময়ৰ উত্তম দৰটো পোৱা উচিত আৰু সময়মতে পইচা তথা চিকিউৰিটী লাভ কৰা উচিত।

আপোনাৰ প্ৰধান দায়িত্ববোৰ হৈছে কোম্পানী/মধ্যবৰ্ত্তী সংস্থাটোৰ বিষয়ে আৰু আপুনি জড়িত থকা / বিনিয়োগ কৰা চিকিউৰিটীৰ বিষয়ে সতৰ্ক থকা, জনোৱামতে চিকিউৰিটী আদায়/প্ৰদান কৰা আৰু আপোনাক দিয়া অধিকাৰবোৰ সাব্যস্ত কৰা।

## মধ্যৱৰ্ত্তী সংস্থাবোৰ :

ব্ৰকাৰ, মাৰ্চেন্ট বেংকাৰ, ডিপজিটৰীজ, মিউচুৱেল ফান্ড, চিকিউৰিটীৰ মুকলি কৰোতা তথা বিনিয়োগকাৰীৰ মাজৰ পক্ষ আৰু বিনিয়োগকাৰীসকলৰ মাজৰ পক্ষ আদিকে ধৰি অনেক ধৰনৰ মধ্যৱৰ্ত্তী সংস্থা আছে। চিকিউৰিটী বজাৰৰ বেচি ভাগ মধ্যৱৰ্ত্তী সংস্থা ছেবিৰ দ্বাৰা পঞ্জীকৃত আৰু নিয়ন্ত্ৰিত। প্ৰতিটো মধ্যৱৰ্ত্তী সংস্থাৰ বাবে এক আচৰণ বিধি ধাৰ্য্য কৰা হৈছে। মিউচুৱেল ফান্ডৰ এজেন্টৰ দৰে কিছুমান মধ্যৱৰ্ত্তী গোটক ছেবিয়ে মিউচুৱেল ফান্ডৰ যোগেদি পৰোক্ষভাবে নিয়ন্ত্ৰিত কৰে।

## মধ্যৱৰ্ত্তী সংস্থাৰ যোগেদি বাণিজ্য কৰাটো দৰকাৰীনে ?

কিছুমান বাণিজ্যৰ কাৰণে মধ্যৱৰ্ত্তী সংস্থাৰ প্ৰয়োজন হয়। উদাহৰন স্বৰূপে আপুনি যদি ষ্টক এক্সেঞ্জত চিকিউৰিটী কিনিব/বেচিব খোজে তেতিয়া আপুনি ব্ৰকাৰ/চাব-ব্ৰকাৰৰ যোগেদি লেনদেন কৰিব লাগিব। আপুনি যদি ডিমেট ৰূপত চিকিউৰিটী ধাৰন কৰিব খোজে তেতিয়া আপুনি এটা একাউন্ট চলাই ৰাখিব লাগিব এক ডিপজিটৰীৰ লগত। পাব্লিক ইছুৰ গ্ৰাহক হলে আপুনি ইছুটোৰ বেংকাৰৰ তাত ধন জমা কৰিব লাগিব। মধ্যৱৰ্ত্তী সংস্থাৰ যোগেদি বাণিজ্য কৰিলে আপুনি দিহা-পৰামৰ্শও লাভ কৰে। ছেবিৰ দ্বাৰা পঞ্জীকৃত মধ্যৱৰ্ত্তী গোট পছন্দ কৰক কাৰণ ই নিজৰ কামৰ প্ৰতি দায়িত্বশীল হবলৈ বাধ্য। পঞ্জীকৃত মধ্যৱৰ্ত্তী সংস্থাবোৰৰ তালিকাখন ছেবি, এক্সেঞ্জবোৰ, উদ্যোগ সংঘ আদিৰ ওচৰত পোৱা যায়।

## মধ্যৱৰ্ত্তী সংস্থাৰ নিৰ্বাচন :

ছেবিৰ নিয়ন্ত্ৰণৰ অধীন মধ্যৱৰ্ত্তী সংস্থাৰ যোগেদিহে আপুনি বাণিজ্য কৰা উচিত। ই ছেবিৰ ওচৰত পঞ্জীকৰন কৰা হবই লাগিব আৰু এইটো আপুনি খোলোচা কৰি লব পাৰে মধ্যৱৰ্ত্তী গোটটোৰ অফিছত লগাই থোৱা পঞ্জীয়নৰ প্ৰমাণপত্ৰখনৰ পৰা। মধ্যৱৰ্ত্তী সংস্থা এটা পছন্দ কৰোতে আপুনি এইকেইটা কথা চাব লাগিব :

(ক) সেৱাদানৰ মূল্য, (খ) সেৱাদানৰ মানদন্ড, (গ) কৰ্মদক্ষতাৰ লেখ আৰু (ঘ) অবস্থান তথা আপোনাৰ সুবিধা।

ইয়াৰ বৰ্ত্তমানৰ গ্ৰাহকসকলৰ পৰা আপুনি এই মধ্যৱৰ্ত্তী সংস্থাটোৰ সাধাৰন সুনাম বা দুৰ্নামৰ বিষয়ে জানিব পাৰিব। তাৰোপৰি ছেবিয়ে নিয়মনীতি ভাগ কৰাৰ বাবে নাইবা আচৰণ বিধি অমান্য কৰাৰ বাবে কোনোবা মধ্যৱৰ্ত্তী সংস্থাক শাস্তিদান কৰাৰ বিষয়ে প্ৰেছ বিজ্ঞপ্তি জাৰী কৰি থাকে। কোনো ব্ৰকাৰক নিলম্বিত কৰিলে এক্সেঞ্জবোৰেও প্ৰেছ বিজ্ঞপ্তি দিয়ে। যদিহে কোনো মধ্যৱৰ্ত্তী সংস্থাই পেশাগত ৰীতিৰে কাম নকৰে আপুনি ছেবিক এই বিষয়ে জনাব পাৰে আৰু সংস্থাটো জড়িত থকা আত্ম নিয়ন্ত্ৰক সংগঠন/উদ্যোগৰ সংঘকো জনাব পাৰে। ইয়াৰ বাহিৰে আপুনি আদালততো গোচৰ তৰিব পাৰে।

## প্ৰাথমিক বজাৰ :

প্ৰাথমিক বজাৰ হৈছে নতুন চিকিউৰিটী মুকলি কৰা স্থান। কোম্পানীবোৰে নতুন চিকিউৰিটী মুকলি কৰে বিনিয়োগৰ অৰ্থে নিধি যোগাৰ কৰিবলৈ আৰু/নাইবা বিশেষ দায়িত্ব পালন কৰিবলৈ। তেওলোকে এই কাম কৰে পাব্লিক ইছু, ৰাইটছ্ ইছু বা বিক্ৰিৰ অফাৰৰ জৰিয়তে। যিকোনো ব্যক্তিয়ে নাইবা সকলোৱেই চিকিউৰিটীৰ গ্ৰাহক হব পাৰিলে তাক পাব্লিক ইছু বোলা হয়। কেৱল বৰ্ত্তমানৰ শ্বেয়াৰ ধাৰকসকলৰ বাবে দিয়া অফাৰক ৰাইটছ্ ইছু বোলা হয়। অৱশ্যে কিছু নিৰ্বাচিত লোকৰ কাৰণেহে ইছুটো দিলে ইয়াক প্ৰাইভেট প্লেচমেন্ট বোলা হয়। এটা কথা মন কৰিব যে চিকিউৰিটীৰ প্ৰাইভেট প্লেচমেন্ট ছেবিৰ নিয়ন্ত্ৰণৰ অধীন নহয়। যোগ্য হোৱাৰ অৰ্হতা পূৰণ কৰিলে মুকলি কৰোতাই ছেবিৰ নিয়ম নিৰ্দ্দেশ তথা কোম্পানী আইন, 1957ৰ বিধি ব্যৱস্থা পালন কৰি চিকিউৰিটী মুকলি কৰিব পাৰে। আপুনি যদি প্ৰাথমিক বজাৰৰ পৰা চিকিউৰিটী কিনিব খোজে তেতিয়াও আপুনি মনত ৰাখিব লাগিব আমি আগতে উল্লেখ কৰা বিনিয়োগৰ বাৰটা পদক্ষেপৰ কথা।

## ইছুবোৰৰ বিষয়ে খবৰ সংগ্ৰহ :

চিকিউৰিটী মুকলি কৰা কোম্পানীটোৱে এখন প্ৰছপেক্টাছ বা ইয়াৰ সলনি এখন বিৱৰণী লগত দিয়ে। ইয়াত থাকে ইছুটোৰ চৰ্ত্তবোৰ, লগতে দৰ বা দৰ নিৰ্ধাৰিত কৰা প্ৰক্ৰিয়া, ইছুৰ পৰা হবলগা অৰ্জনৰ উপযোগী ব্যৱহাৰৰ নিৰ্দ্দেশ, বিপদাশংকাৰ কাৰকসমূহ, পৰিচালনা, বিভিন্ন বিষয়ৰ তথা আৰু গ্ৰাহক হোৱাৰ প্ৰক্ৰিয়া তথা বিনিয়োগকাৰীলৈ চিকিউৰিটীৰ বন্টনৰ সবিশেষ। এই নথিপত্ৰখন ছেবি আৰু কোম্পানীৰ ৰেজিষ্ট্ৰাৰক দিয়া হয়। এটা চমু বিৱৰণ বাতৰিকাকত বিলাককো দিয়া হয়। অৱশ্যে আপুনি চিকিউৰিটীৰ যিকোনো ইছুৰ গ্ৰাহক হব খুজিলে সম্পূৰ্ণ প্ৰছপেক্টাছখন আয়ত্ব কৰি ইয়াক ভালকৈ বুজি লবই লাগিব।

আপোনাৰ নিজৰ ফালৰ পৰা ইকুইটি চিকিউৰিটীত বিনিয়োগকৰাৰ বিপদখিনি অনুধাবন কৰি লোৱাটো আপোনাৰ কাৰণে দৰকাৰী কথা। বিনিয়োগ কৰাৰ সিদ্ধান্তটো লোৱাৰে আগতে আপুনি বিপদৰ কাৰকবোৰ, কোম্পানীটোৰ ব্যৱসায়, কোম্পানীৰ বিত্তীয় বিৱৰণৰ ওপৰত পৰিচালনা পক্ষৰ আলোচনা তথা বিশ্লেষন, ইছু দৰৰ আধাৰ আৰু গুৰুত্বপূৰ্ণ বিত্তীয় অনুপাতবোৰ যেনে দৰ-অৰ্জন, দৰ-নগদ ধনৰ আগমন আৰু উদ্যোগৰ আন আন কোম্পানীৰ লগত ইছু কৰা কোম্পানীটোৰ তুলনামূলক আকৰ্ষনৰ বিষয়ে তথ্য থকা অধ্যায়বোৰ নিশ্চয় পঢ়ি লবই লাগিব।

আপোনাৰ নিজৰ ফালৰ পৰা ডে'ট চিকিউৰিটীত বিনিয়োগ কৰাৰ বিপদখিনি অনুধাবন কৰি লোৱাটো আপোনাৰ কাৰণে দৰকাৰী কথা। বিশেষকৈ আপুনি আগবঢ়োৱা চিকিউৰিটীৰ ক্ৰেডিট ৰেটিং তথা প্ৰকৃতি চাই লোৱা উচিত। কমেও এটা ৰেটিং এজেন্সিৰ পৰা ৰেটিং সংগ্ৰহ কৰাটো ইছু কৰা কোম্পানীৰ কাৰণে বাধ্যতামূলক। ডে'ট সজুলিটোৰ পাব্লিক বা ৰাইটছ্ ইছু কৰাৰ পূৰ্বে আগৰ তিনিবছৰৰ কালছোৱাত ইহঁতে সংগ্ৰহ কৰা ক্ৰেডিট ৰেটিংবোৰ প্ৰদৰ্শিত কৰাটো প্ৰয়োজনীয়। প্ৰাথমিক বজাৰত ডে'ট ইছু কোম্পানীৰ বাবে ডে'ট চিকিউৰিটীবোৰক নিৰাপদ কৰাটোও বাধ্যতামূলক। ডে'ট চিকিউৰিটীৰ প্ৰস্তুতিত কোম্পানীৰ ফালৰ পৰা কিবা বিঘিনি ঘটিলে ডেবেনচাৰ ট্ৰাষ্টিয়ে নিৰাপদে ৰখা সম্পদবোৰ নগদীকৰন কৰি ডেবেনচাৰধাৰকসকলৰ বকেয়া ধন আদায় দিয়াব পাৰে। গতিকে ডে'ট ঋণৰ বিপৰীতে কোম্পানীয়ে আগবঢ়োৱা চিকিউৰিটীৰ প্ৰকৃতি আপুনি সাবধানতাৰে বিশ্লেষন কৰি লোৱা উচিত। কাৰণ কোম্পানীটো অকামিলা হৈ যোৱাৰ ক্ষেত্ৰত ই সহায় কৰিব আপোনাৰ ধনখিনি পৰিশোধ কৰাত।

## ডিমেট একাউন্ট :

চিকিউৰিটীবোৰ সাকাৰ তথা ডিমেট এই দুয়োটা ৰূপতে আগবঢ়াবলৈ কোম্পানীটো দায়বদ্ধ থাকে যদিও আপোনাৰ পছন্দ থাকে ইয়াক যিকোনো ৰূপতে গ্ৰহণ কৰাৰ। আপুনি যদি ডিমেট ৰূপত চিকিউৰিটী ধাৰন কৰাৰ ইচ্ছা কৰে তেতিয়া আপুনি আপোনাৰ আবেদন পত্ৰত ডিপজিটৰীৰ আৰু আপোনাৰ ডিপজিটৰী একাউন্ট থকা ডিপজিটৰীৰ অংশীদাৰৰো নাম উল্লেখ কৰিব লাগিব। আপুনি অৱশ্যে ডিমেট ৰূপত চিকিউৰিটী ধাৰন কৰাটো বাঞ্চনীয় কাৰণ সাকাৰ চিকিউৰিটীবোৰ মিছা, জাল বা চুৰি হোৱাৰ বিপদ থাকে।

## দৰ নিৰ্ধাৰনত বিনিয়োগকাৰীৰ হাত আছেনে ?

চিকিউৰিটীবোৰ মুকলি কৰা হয় মুকলি কৰোতাই নিশ্চিত কৰা দৰত (নিশ্চিত দৰ ইছু) নাইবা বুক বিল্‌দিং প্ৰক্ৰিয়াৰ যোগেদি বিনিয়োগকাৰীহঁতে নিৰ্ধাৰিত কৰা দৰত। নিশ্চিত দৰ ইছুত চিকিউৰিটীৰ মূল্যৰ ওপৰত আপোনাৰ কোনো হাত নাথাকে। আনহাতে বুক বিল্ট ইছুত মুকলি কৰা চিকিউৰিটীৰ মূল্য নিৰ্ধাৰনত আপোনাৰ নিয়ন্ত্ৰণ থাকে।

## বুক বিল্‌দিঙত অংশগ্ৰহণ কৰাৰ প্ৰক্ৰিয়া :

বুক বিল্‌দিং প্ৰক্ৰিয়াত খাটাখন সাধাৰনতে পাচদিনৰ নূন্যতম সময়ৰ কাৰণে খোলা ৰখা হয় যেতিয়া আপুনি নিজৰ ডাক দিব পাৰে বা ইয়াক সংশোধিত কৰিব পাৰে। খাটা খোলা ৰখাৰ কালছোৱাত চিন্ডিকেট সদস্যসকলৰ ডাক দিয়া কেন্দ্ৰবোৰত বিভিন্ন মূল্যৰ দাবীৰ বিশদ ৰূপৰ বিৱৰণীবোৰ প্ৰদৰ্শিত কৰি থকা হয় (প্ৰতি আধা ঘন্টাত আপডেট কৰা হয়)। চিন্ডিকেট সদস্যৰ যিকোনো ডাক সংগ্ৰহ কেন্দ্ৰত আপুনি এখন সম্পূৰ্ণ ডাক-তথা-আবেদন পত্ৰ আৰু ডাক ধৰা পৰিমাণটো দাখিল কৰি যিকোনো দৰত বা তাত থকা মজিয়া দৰৰ ওপৰত ডাক দিব পাৰে।

বুক ৰানিং লিড মেনেজাৰজনে অথবা চিন্ডিকেট সদস্যসকলে প্ৰতিটো ডাক ইলেক্ট্ৰনিক বিডিংছিষ্টেমত এন্টাৰ কৰে এটা সুকীয়া ডাকৰ ৰূপত আৰু প্ৰতিটো দৰ তথা দাবী বিকল্পৰ কাৰণে এখন ট্ৰেনজেকছন ৰেজিষ্ট্ৰেশ্যন শ্লিপ জেনেৰেট কৰি আপোনাক দিয়ে।

## চিকিউৰিটীৰ কাৰণে ধন আদায় :

নিশ্চিত দৰ ইছুৰ কাৰণে আপুনি আবেদন প্ৰপত্ৰত নিজৰ আবেদনৰ লগত আদায় দিব লগা পৰিমাণটো সংগ্ৰহ কৰা বেংকত জমা দিব লাগে। বুক বিল্ট ইছুৰ কাৰণে আপুনি আপোনাৰ ডাক-তথা-আবেদন পত্ৰত ডাকটোৰ প্ৰয়োজনীয় পৰিমাণটো (ৰিটেইল কেটেগৰী মতে) ভৰাই চিন্ডিকেট সদস্যক জমা দিব লাগে।

## মাধ্যমিক বজাৰ

মাধ্যমিক বজাৰৰ সহায়ত আপুনি ধাৰন কৰা চিকিউৰিটীবোৰৰ সাল সলনি কৰিব পাৰে আপুনি কৰা বিপদাশংকাৰ অধ্যায়নৰ ওপৰত নিৰ্ভৰ কৰি আৰু সেইমতে চিকিউৰিটীবোৰ কিনিব বা বিক্ৰী কৰিব পাৰে। আপোনাৰ নগদ ধনৰ প্ৰয়োজন পূৰাবলৈ ইহঁতক বিক্ৰী কৰাত ই সহায় কৰে। চিকিউৰিটী বাণিজ্যৰ ভেটি মূলত: ষ্টক এক্সেঞ্জবোৰক লৈয়েই ই গঠিত হয়। এক্সেঞ্জবোৰৰ নিৰীক্ষণ তথা ছেবিৰ তত্ত্বাৱধানত এক বিশদ সুচালিত নিয়ন্ত্ৰক ব্যৱস্থাৰ দ্বাৰা চিকিউৰিটীৰ বাণিজ্য বা নিষ্পত্তি কৰা হয়। আপুনি এক্সেঞ্জ এটাৰ বাণিজ্য ভেটিত সোমাব পাৰিব একমাত্ৰ পঞ্জীকৃত ব্ৰকাৰ এজনৰ যোগেদিহে।

## ষ্টক এক্সেঞ্জত বাণিজ্য কৰাটো কিয় দৰকাৰী ?

ষ্টক এক্সেঞ্জে চিকিউৰিটীবোৰ তালিকাভুক্ত কৰে আৰু আপোনাক সুবিধা দিয়ে তালিকাত থকা চিকিউৰিটীত বাণিজ্য কৰাৰ। কোম্পানীৰ পৰা কেতবোৰ আশ্বাস, জাননী আপোনাৰ স্বাৰ্থত আদায় কৰাত ই সহায় কৰে। আপোনাৰ তৰফৰ পৰা কৰা বাণিজ্য নিশ্চিত কৰাৰ ই হৈছে এক গেৰান্টি আৰু আপোনাৰ ব্ৰকাৰজন অকামিলা হলে ই আপোনাক নিৰাপত্তা দিয়ে।

স্পট ট্ৰেনজেকছনৰ বাহিৰে ষ্টক এক্সেঞ্জৰ বাহিৰত কৰা বাণিজ্যৰ ক্ষেত্ৰত এক্সেঞ্জবোৰ বা ছেবিৰ কোনো নিয়ন্ত্ৰক ব্যৱস্থা নাই। গতিকে এটা এক্সেঞ্জৰ বাহিৰত বাণিজ্য কৰিলে আপুনি কোনো নিৰাপত্তা লাভ নকৰে। তাৰোপৰি ষ্টক এক্সেঞ্জ হৈছে আপোনাৰ চিকিউৰিটীৰ কাৰণে এখন তৈয়াৰ বজাৰ। ষ্টক এক্সেঞ্জৰ বাহিৰত লেনদেন কৰিলে আপোনাৰ বহু সময়ৰ অপব্যয় হব আপোনাৰ লগত একে ধৰনৰ বাণিজ্য কৰিবলৈ সন্মত উচিত ব্যক্তি জনক বিচাৰি পাবলৈ। এক্সেঞ্জত লেনদেন কৰাৰ আন আন সুবিধাবোৰৰ ভিতৰত আছে: আপোনাৰ কাৰণে সিপক্ষৰ বিপদাশংকাৰ বোজা নাই যিটো গ্ৰহণ কৰে এটা ক্লিয়েৰিং কৰ্পোৰেছনে, ষ্টক এক্সেঞ্জৰ বিনিয়োগকাৰী অভিযোগ নিষ্পত্তিকৰন প্ৰক্ৰিয়াত আপুনি সোমাব পাৰে।



ষ্টক এক্সেঞ্জৰ লগত আপোনাৰ যোগসূত্ৰ হৈছে ব্ৰকাৰ/ছাব - ব্ৰকাৰসকল। ছেবি/জড়িত ষ্টক এক্সেঞ্জৰ নিয়ন্ত্ৰক ব্যৱস্থাৰ অধীন বজাৰখনৰ এওলোক হৈছে মধ্যবৰ্ত্তী সংস্থা। তেওলোকে চিকিউৰিটীৰ লেনদেনত প্ৰবেশ কৰে আপোনাৰ তৰফৰ পৰা। তেওলোকৰ লগত আপোনাৰ সম্পৰ্ক প্ৰভাবাণ্বিত কৰে গ্ৰাহক-ব্ৰকাৰ/গ্ৰাহক-চাব ব্ৰকাৰ চুক্তিৰ চৰ্ত্তবোৰে।

আপুনি যদি সক্ৰিয়ভাবে চিকিউৰিটী ক্ৰয় আৰু বিক্ৰী কৰিছে তেন্তে ডিমেট চিকিউৰিটীবোৰৰ প্ৰাপ্তি তথা প্ৰদানৰ কাৰণে আপুনি এটা ডিপজিটৰী একাউন্ট খোলাটো বাঞ্চনীয়। ডিপজিটৰী একাউন্ট এটা থাকিলে আপুনি চিকিউৰিটী কিনিবলৈ ততালিকে ঋণ লাভ কৰিব আৰু সাকাৰ প্ৰমাণপত্ৰবোৰৰ অশান্তি বিলাক এৰাই চলিব পাৰিব।

## ব্ৰকাৰ এজনৰ পছন্দ :

ব্ৰকাৰ/চাব-ব্ৰকাৰ জন ছেবি/জড়িত ষ্টক এক্সেঞ্জত পঞ্জীকৃত হবই লাগিব। এইটো কথা আপুনি জানিব পাৰে তেওৰ অফিছত ওলোমাই ৰখা পঞ্জীয়ন প্ৰমাণপত্ৰৰ পৰা। জড়িত এক্সেঞ্জত এনে অধিকৃত ব্ৰকাৰ/চাব-ব্ৰকাৰৰ তালিকা পোৱা যায়। ক্ষিপ্ৰ আৰু নিৰ্ভুলভাবে আপোনাৰ বাণিজ্য চলোৱাৰ কাৰণে তেওৰ এটা কাৰ্যব্যৱস্থা থকা উচিত। তাৰোপৰি আপুনিও চাব লাগিব অবস্থান, খৰচ, সেৱাদানৰ মান আদি আপোনাৰ নিজৰ সুবিধাবোৰ।

## কোম্পানীবোৰক জনা :

কোম্পানীৰ বিষয়ে তথ্য লাভ কৰিব পৰা কেবাটাও উ?স আছে। তালিকাভুক্তিৰ বাবে কৰা চুক্তিত কোম্পানীয়ে দৰ সংবেদনশীল তথ্য অহৰহ দি থকাটো প্ৰয়োজনীয় হয়। এক্সেঞ্জৰ ৱেব চাইটৰ যোগেদি এইবোৰ তথ্য প্ৰচাৰ কৰা হয়। তাৰোপৰি ছেবিয়ে যোগান ধৰে এডিফাৰ (ইলেক্ট্ৰনিক ডাটা ইনফৰমেশ্যন ফিলিং এন্ড ৰিট্ৰিয়েভেল ছিষ্টেম) যিটো হৈছে পূৰণ, ঘূৰাই পোৱা আৰু সময় সংবেদনশীল কৰ্পোৰেট তথ্যৰ প্ৰচাৰৰ এটা স্বয়ংক্ৰিয় ব্যৱস্থা। এডিফাৰ’ত আছে তথ্য এইবোৰৰ বিষয়ে : (1) বেলেন্স শ্বিট, লাভ লোকচানৰ হিচাপ, আৰু বাৰ্ষিক পূৰ্ণ বিৱৰণ সামৰি লোৱা বিত্তীয় ষ্টেটমেন্ট, নগদ ধনৰ আগমন তথা তিনিমহীয়া বিত্তীয় বিৱৰন সামৰি লোৱা ছমহীয়া বিত্তীয় ষ্টেটমেন্ট, (2) কৰ্পোৰেট শাসকীয় বিৱৰণ, (3) শ্বেয়াৰ প্ৰকৃতি আৰু (4) কোম্পানীৰ বিপক্ষে নিয়ন্ত্ৰক গোটে গ্ৰহণ কৰা কাৰ্য্যব্যৱস্থা। এডিফাৰ পোৱা যায় এইটো চাইটত : http://sebiedifer.nic.in ।

ওপৰত দিয়াৰ বাহিৰে কোম্পানী এটাৰ বিশদ খবৰ পোৱা যায় আপোনাৰ মধ্যৱৰ্তী সংস্থাত আৰু বিভিন্ন পাব্লিক অনলাইন চাইটবোৰত।

### মাধ্যমিক বজাৰত চিকিউৰিটী কিনাৰ আগতে বিনিয়োগকাৰীয়ে কি পৰীক্ষা কৰিব লাগে ?

আবেগপ্ৰৱণ হৈ, গৰম খবৰ পাই নাইবা সকলোৱে লোৱা দেখি আপুনি চিকিউৰিটী কিনা উচিত নহয়। তথ্যবোৰ আপুনি চালিজাৰি চোৱা উচিত, অদৰকাৰী তথা অযুক্তিকৰ খবৰবোৰ আওকান কৰিব লাগে আৰু সুযোগ তথা সত্যবোৰ পৰীক্ষা কৰি লোৱা উচিত চিকিউৰিটী কিনাৰ আগতে। বিনিয়োগ কৰাৰ সিদ্ধান্ত লোৱাৰ আগতে আপুনি চিকিউৰিটীটোৰ মূলকথাবোৰ পৰীক্ষা কৰি লোৱা উচিত।

### বাণিজ্যৰ ক্ষেত্ৰত বিনিয়োগকাৰী এজনে ব্ৰকাৰ/চাব-ব্ৰকাৰৰ পৰা পাব লগা নথিপত্ৰবোৰ :

এজন ব্ৰকাৰ/চাব-ব্ৰকাৰৰ লগত আপোনাৰ সম্পৰ্ক গঢ়ি উঠাৰ সময়ত এই সম্পৰ্কৰ চিনাকী দিয়া গ্ৰাহক-ব্ৰকাৰ/গ্ৰাহক চাব-ব্ৰকাৰ চুক্তিখনত চহী কৰিব লাগে আৰু এটা কপি নিজৰ লগত ৰাখিব লাগে। আপোনাৰ লেনদেনবোৰ সম্পাদিত হোৱাৰ সময়ত আপোনাৰ লেনদেনবোৰ প্ৰদৰ্শিত কৰা এখন কনট্ৰেক্ট নোট আপুনি ব্ৰকাৰৰ পৰা পাব লাগে। ব্ৰকাৰক প্ৰদান কৰা সকলো ধনৰ প্ৰাপ্তিস্বীকাৰো আপুনি সংগ্ৰহ কৰি লোৱা উচিত।

নিয়মনীতিৰ মতে এইটো প্ৰয়োজনীয় যে আপুনি কনট্ৰেক্ট নোটাখন বাণিজ্য কৰাৰ 24 ঘন্টাৰ ভিতৰত পায় য'ত থাকে অৰ্ডাৰ নম্বৰ, ট্ৰেড নম্বৰ, সময়, দাম, ব্ৰকাৰেজ আদিৰ বিশদ বিৱৰন। যদি কনট্ৰেক্ট নোটখনত দিয়া অৰ্ডাৰ নম্বৰ, ট্ৰেড নম্বৰ, দাম আদিৰ বিষয়ে আপোনাৰ কিবা সন্দেহ থাকে আপুনি বৰ্তমান প্ৰধান ষ্টক এক্সেঞ্জবোৰে (এনএছই আৰু বিএছই) বিনিয়োগকাৰীসকলক তেওলোকৰ সন্দেহ মোচনৰ কাৰণে জড়িত ৱেবচাইটবোৰত দিয়া বিশেষ সুবিধাটো গ্ৰহণ কৰিব লাগে। সজকথা এয়ে যে কোনো সন্দেহ নেথাকিলেও এনেয়ে কেইটামান বাণিজ্য বাচি লৈ এই সুবিধাটো প্ৰয়োগ কৰি চাব লাগে। বেচ কেইটামান বছৰৰ কাৰণে অৰ্ডাৰ/বাণিজ্যবোৰৰ ওপৰত এক্সেঞ্জ কেইটাই এটা অডিট পৰীক্ষা সৃষ্টি কৰে আৰু বজাই ৰাখে।

### কনট্ৰেক্ট নোট :

আপোনাৰ হৈ এটা বিশেষ দিনত কৰা লেনদেনবোৰৰ সূচনাই হেছে কনট্ৰেক্ট নোট। লেনদেনবোৰৰ নিশ্চিতকৰনৰ ক্ষেত্ৰত আপোনাৰ আৰু ব্ৰকাৰৰ মাজত ই প্ৰতিষ্ঠা কৰে এক আইনগত ভাবে কাৰ্য্যকৰী সম্পৰ্ক। বিবাদ/দাবী/মতানৈক্য আদিৰ নিষ্পত্তিকৰনত ই সহায় কৰে। ব্ৰকাৰৰ বিপক্ষে অভিযোগ বা গোচৰ তৰাৰ বাবে ই এটা আগতীয়া আৱশ্যকতা। এখন



সচা কনট্ৰেক্ট নোট অনুমোদিত প্ৰপত্ৰত লিখা হব লাগে, অধিকৃত গোটৰ স্বাক্ষৰ ইয়াত থাকিব লাগে আৰু বাণিজ্যৰ বিশদ বিৱৰন থাকিব লাগে।

### ধন আদায় দিয়া আৰু গ্ৰহণ কৰা :

কেৱল ব্ৰকাৰ/চাব-ব্ৰকাৰৰ নামত একাউন্ট পেয়ী চেকৰ যোগেদিহে ধন আদায় দিয়াটো বুদ্ধিমানৰ কাম। লগে লগে এখন শুদ্ধ ৰিছিপ্তো সংগ্ৰহ কৰিব লাগে। চিকিউৰিটীৰ কাৰণে আপুনি ধন পাব লাগে জড়িত ষ্টক ওক্সেঞ্জে পে'-আউট ঘোষনা কৰাৰ 48 ঘন্টাৰ ভিতৰত।

### চিকিউৰিটীৰ প্ৰদান আৰ প্ৰাপ্তি :

পে'-ইন লাগু হোৱাৰ আগতেই আপুনি চিকিউৰিটী প্ৰদান কৰা উচিত আৰু আপুনি পইচা দিয়া চিকিউৰিটী লাভ কৰিব লাগে জড়িত ষ্টক এক্সেঞ্জে কৰা চিকিউৰিটী পে'-আউটৰ 48 ঘন্টাৰ ভিতৰত।

### ব্ৰকাৰৰ মাৰ্জিন আৰু ডিপজিট :

নিয়ন্ত্ৰক আইন বিবিধ মতে বিনিয়োগকাৰীয়ে ব্ৰকাৰৰ ওচৰত ডিপজিট ৰখাটো বাধ্যতামূলক নহয়। ই নিৰ্ভৰ কৰে ব্ৰকাৰ/চাব-ব্ৰকাৰৰ লগত থকা আপোনাৰ বুজপৰাৰ ওপৰত। অবশ্যে লেনদেনটো সম্পূৰ্ণ কৰাৰ আগতে ব্ৰকাৰক আপুনি এটা আপফ্ৰন্ট মাৰ্জিন দিয়াটো প্ৰয়োজনীয়। সাধাৰনতে চিকিউৰিটীৰ নগদীকৰনৰ ওপৰত নিৰ্ভৰ কৰি এক্সেঞ্জবোৰে আপফ্ৰন্ট ৰূপত গ্ৰাহকসকলৰ পৰা অধিক পৰিমাণৰ মাৰ্জিন সংগ্ৰহ কৰাৰ অনুমোদন কৰে।

### বিনিয়োগকাৰী নিৰাপত্তা ফান্ড কিয় ?

বিনিয়োগকাৰীৰ দাবীবোৰৰ নিষ্পত্তিৰ বাবে এক্সেঞ্জবোৰে বিনিয়োগকাৰী নিৰাপত্তা ফান্ড ৰাখে। এনে দাবীবোৰ আহিব পাৰে এক্সেঞ্জত কৰা বাণিজ্যৰ ক্ষেত্ৰত অকামিলা বুলি ঘোষনা কৰা বাণিজ্য সদস্যজনে নিজৰ দায়বদ্ধতাবোৰ ঠিকমতে পালন নকৰাৰ ফলত।

### কোম্পানী আৰু ব্ৰকাৰৰ বিপক্ষে অভিযোগ :

চাব-ব্ৰকাৰজন জড়িত থকা ব্ৰকাৰজনৰ নজৰলৈ আপুনি এইটো আনিব লাগে। যদি চাব-ব্ৰকাৰ/ব্ৰকাৰ বিবাদটো নিষ্পত্তি কৰিবলৈ বিফল হয় আৰু যদি অভিযোগটো ব্ৰকাৰ/কোম্পানীৰ বিপক্ষে হয়, আপুনি বিষয়টো জড়িত এক্সেঞ্জৰ বিনিয়োগকাৰী অভিযোগ কক্ষলৈ আনিব লাগে। এক্সেঞ্জৰ যোগেদি কৰা লেনদেনৰ ক্ষেত্ৰত বা কোম্পানী সম্পৰ্কীয় লেনদেন

এক্সেঞ্জত কৰাৰ ক্ষেত্ৰত কক্ষটোৱে নিষ্পত্তিকৰনৰ বাবে কোম্পানীৰ লগত যোগাযোগ কৰে। কনট্ৰেক্ট নোটৰ দৰে সকলোবোৰ প্ৰযোজ্য নথিপত্ৰ সংলগ্ন কৰি নিৰ্দিষ্ট প্ৰপত্ৰত আপুনি অভিযোগবোৰ দাখিল কৰিব লাগে।

## দেৰিভেটিভ বজাৰ :

চিকিউৰিটীৰ দৰ বা দৰৰ নিৰ্ঘন্টৰ পৰা মূল্য আয়ত্ব কৰা কনট্ৰেক্ট খনকে দেৰিভেটিভ বোলা হয়। ই আপোনাক সহায় কৰে দৰৰ বিপদাশংকাৰ পৰা নিজৰ অবস্থান নিৰাপদ ৰাখিবলৈ আৰু আপোনাৰ বিনিয়োগৰ অৰ্জন বঢ়াবলৈ। এটা স্বীকৃত ষ্টক এক্সেঞ্জত বাণিজ্য কৰা হলেহে এনে দেৰিভেটিভ কনট্ৰেক্টক আইনসংগত তথা যোগ্য বুলি ধৰা হয়। আপুনি যদি দেৰিভেটিভৰ লেনদেন এক্সেঞ্জ এটাত কৰে তেতিয়া ইয়াত কৰা সকলোবোৰ লেনদেনৰ বাবে ক্লিয়েৰিং কৰ্পোৰেছনটো আইনগত সিপক্ষ হৈ পৰে আৰু নিষ্পত্তিৰ গেৰাৰ্ন্টি দিয়ে। আপুনি আপোনাৰ লগত বাণিজ্য কৰাৰ অৰ্থে সিপক্ষ গোটটো বিচাৰি ফুৰিব নেলাগে, কাৰণ বজাৰখনে নগদীকৰনৰ সুবিধা দিয়ে আৰু এক্সেঞ্জৰ অনুষ্ঠানিক বিধি নিয়মবোৰ তথা প্ৰক্ৰিয়াবোৰে বজাৰৰ স্থিৰতা আৰু অখন্ডতা নিশ্চিত কৰে। দেৰিভেটিভৰ সাধাৰন ৰূপবোৰ হৈছে ফিউচাৰ্ছ আৰু অপছনছ্। ইনডেক্স ফিউচাৰ্ছ, ইনডেক্স অপছনছ্, ষ্টক ফিউচাৰ্ছ আৰু ষ্টক অপছনছ্ৰদৰে সৰলীকৃত দেৰিভেটিভবোৰ বৰ্ত্তমান ভাৰতীয় এক্সেঞ্জবোৰত লেনদেন কৰা হয়।

## দেৰিভেটিভ বজাৰত ব্ৰকাৰ তথা ষ্টক এক্সেঞ্জ :

ষ্টক এক্সেঞ্জে দেৰিভেটিভবোৰ সজায় আৰু আপোনাক এটা সুযোগ দিয়ে এইবোৰ কনট্ৰেক্টত বাণিজ্য কৰিবলৈ। আপোনাৰ হৈ কাৰ্যকৰী কনট্ৰেক্টত ই নিষ্পত্তিকৰনৰ গেৰাৰ্ন্টি দিয়ে আৰু আপোনাৰ ব্ৰকাৰজন অকামিলা হলে আপোনাক নিৰাপত্তা দিয়ে। আপুনি কেৱল ব্ৰকাৰৰ যোগেদিহে দেৰিভেটিভত বাণিজ্য কৰিব পাৰে। আপোনাৰ হৈ এক্সেঞ্জত বাণিজ্য কৰা এইজন ছেবিৰ পঞ্জীকৃত মধ্যৱৰ্ত্তী গোট। আপোনাৰ সম্পৰ্কটো স্থিৰ কৰে গ্ৰাহক-ব্ৰকাৰ চুক্তিখনৰ চৰ্ত্তবোৰে। ব্ৰকাৰজন ছেবিৰ তাত পঞ্জীকৃত হবই লাগিব আৰু আপুনি এইটো জানিব পাৰে তেওঁৰ অফিছত ওলোমাই থোৱা পঞ্জীয়ন প্ৰমাণপত্ৰৰ পৰা।

## মাৰ্জিন আৰু ডিপজিট :

সাধাৰনতে আৰম্ভনিত আপুনি এটা মাৰ্জিন আদায় দিব লাগে যিটোৰ উদ্দেশ্য হৈছে এটা দিনৰ ভিতৰত এটা টোপোলাই যুক্তিসংগত আশংকাৰে ভুগিব পৰা সৰ্বোচ্চ লোকচানটো সামৰি লোৱা - বাণিজ্যটো কাৰ্য্যকৰী হোৱাৰ আগতেই। এইটো আপোনাক জনায় আপোনাৰ ব্ৰকাৰজনে। এই আগতীয়া মাৰ্জিনটো ব্ৰকাৰ ওচৰত আপুনি ৰখাটো প্ৰয়োজনীয় হব পাৰে - নগদ ধন বা গ্ৰহণযোগ্য কলেটাৰেলৰ ৰূপত। এইটো বৰ জৰুৰী, কাৰণ বাণিজ্য সম্পাদিত হোৱাৰ সময়তে গ্ৰাহকে আগতীয়াকৈ মাৰ্জিনটো শোধ কৰিব লাগে। ইয়াৰ দ্বাৰা গ্ৰাহকজনে দৈনিক মাৰ্জিন কলবোৰৰ পৰা হাত সাৰিব পাৰে।

## ব্ৰকাৰজনে গাফিলতি কৰিলে কি হব ?

আপুনি আপোনাৰ অভিযোগ/আপত্তিবোৰ বিনিয়োগকাৰী অভিযোগ কক্ষত দাখিল কৰিব পাৰে। অন্যথাই আপুনি বিষয়টো আৰ্বিট্ৰেছনৰ বাবে দিব পাৰে নাইবা গাফিলতি কৰাজনৰ বিপক্ষে দাবীটো দাখিল কৰিবলৈ ডিফল্টাৰ্ছ কমিটিৰ ওচৰ চাপিব পাৰে। তাৰোপৰি জড়িত এক্সেঞ্জৰ বিনিয়োগকাৰী নিৰাপত্তা নিধিৰ পৰা আপুনি নিৰাপত্তা বিচাৰিব পাৰে। গাফিলতি কৰা বুলি ঘোষিত হোৱা ব্ৰকাৰজনে এক্সেঞ্জত কৰা বাণিজ্যৰ দায়বদ্ধতাবোৰ ঠিকমতে পালন নকৰাৰ ফলত আপুনি কৰিব লগা হোৱা দাবীবোৰ নিধিটোৱে সুন্দৰকৈ নিষ্পত্তি কৰে।

## ক্ৰয় কৰা দেৰিভেটিভৰ বাবদ বিনিয়োগকাৰীয়ে কেতিয়া পইচা দিব লাগে ?

আপুনি ব্ৰকাৰজনৰ লগত এটা পৰিমাণ ৰাখিব পাৰে লেনদেনৰ কম বেচিবোৰ পূৰণ কৰিবলৈ নাইবা গ্ৰাহক - সদস্য চুক্তিখনৰ সন্মতি মতে প্ৰতিটো কনট্ৰেক্টৰ কাৰণে সুকীয়াকৈ প্ৰদান কৰাৰ বাবে। বিবাদৰ পৰা হাত সাৰিবৰ কাৰণে মাজে সময়ে ব্ৰকাৰৰ লগত হিছাপবোৰ ঠিক কৰি লোৱাটো ভাল।

## দেৰিভেটিভ বিক্ৰী কৰাৰ বাবদ বিনিয়োগকাৰীয়ে কেতিয়া পইচা পায় ?

আপুনি বিক্ৰী কৰা কনট্ৰেক্টবোৰৰ বাবদ আপোনাৰ একাউন্টত পাওনা জমা হব লাগে এক্সেঞ্জে নিৰ্ধাৰিত কৰি দিয়া সময়ৰ ভিতৰত। অবশ্যে গ্ৰাহক-সদস্যৰ চুক্তিখনত দিয়া সন্মতিৰ মতেহে আপুনি পাওনা দৈনিক বা আন ধৰনে লাভ কৰিব।

## ব্ৰকাৰৰ বিপক্ষে অভিযোগ :

আপুনি বিষয়টো উথ্থাপন কৰিব লাগে জড়িত এক্সেঞ্জৰ বিনিয়োগকাৰী অভিযোগ কক্ষত।

## ডিপজিটৰী সেৱাদান :

নেশ্যনেল চিকিউৰিটীজ ডিপজিটৰী লিমিটেড আৰু চেন্ট্ৰেল ডিপজিটৰী চাৰ্ভিছেজ (ভাৰত)

নামৰ দুটা ডিপজিটৰী আছে। ইহঁতে বুক এণ্ট্ৰিৰ ৰূপত চিকিউৰিটীৰ মালিকানা স্বত্ত্ববোৰৰ লেখ বজাই ৰাখে আৰু চিকিউৰিটীৰ বদলিকৰন কৰায় খৰটকীয়াকৈ, নিৰ্ভুল আৰু নিৰাপদ ভাবে। ডিপজিটৰীবোৰে চিকিউৰিটী ধাৰন কৰে ডিমেট ৰূপত আৰু ডিপজিটৰীত থকা আটাইবোৰ চিকিউৰিটীয়েই বিনিময় যোগ্য। ডিপজিটৰীৰ লেখত চিকিউৰিটীৰ বিনিয়োগকাৰীক লাভাণ্বিত মালিক বোলা হয় আৰু ডিপজিটৰীসকলক বোলা হয় কোম্পানীৰ লেখৰ পঞ্জীকৃত মালিক। অবশ্যে চিকিউৰিটী সম্পৰ্কীয় গোটেইবোৰ স্বত্ব লাভাণ্বিত মালিকসকলৰ লগতহে থাকে।

ডিমেট ৰূপত চিকিউৰিটী ধাৰন কৰিলে ক্ৰয় কৰাৰ ক্ষেত্ৰত চিকিউৰিটীৰ ত?কালীন বদলিকৰনত সহায় হয়। বদলিকৰনত আপুনি ষ্টাম্প ডিউটি দিব নেলাগে। বেয়াকৈ প্ৰদান কৰা, জাল চিকিউৰিটী আদি সাকাৰ চিকিউৰিটীৰ লগত জড়িত বিপদবোৰৰ পৰা আপুনি হাত সাৰিব পাৰে।

ডিপজিটৰীয়ে বিনিয়োগকাৰীৰ লগত লেনদেন কৰে ডিপজিটৰী পাৰ্টিচিপেন্ট বা অংশীদাৰ (ডিপি) বোলা ইয়াৰ এজেন্টৰ যোগেদি। আপুনি ডিপজিটৰীৰ সেৱা লাভ কৰিব খুজিলে এটা ডিপি'ৰ ওচৰত আপুনি একাউন্ট খুলিব লাগিব। বেংকৰ সেৱা লাভ কৰাৰ বাবে ইয়াৰ যিকোনো শাখাত একাউন্ট এটা খোলাৰ সৈতে একে।

## ডিমেটেৰিয়েলাইজিং আৰ ৰিমেটেৰিয়েলাইজিং :

আপোনাৰ নামত পঞ্জীকৃত হোৱা আৰু যিকোনো ডিপজিটৰীৰ ডিমেটেৰিয়েলাইজিঙৰ বাবে যোগ্য চিকিউৰিটীৰ তালিকাত থকা চিকিউৰিটী আপুনি ডিমেটেৰিয়েলাইজ কৰিব পাৰে। ডিপি নাইবা ডিপজিটৰীৰ ৱেবচাইটৰ পৰা আপুনি লাভ কৰিব পাৰে অপাৰ্থিবকৰনৰ বাবে যোগ্য চিকিউৰিটীৰ শেহতীয়া তালিকা। যদি আপুনি আপোনাৰ চিকিউৰিটীবোৰ আকৌ সাকাৰ ৰূপত বিচাৰে তেতিয়া আপোনাৰ ডিপি'ক অনুৰোধ কৰিব লাগিব ইহঁতৰ ৰিমেটেৰিয়েলাইজেছন অৰ্থা? পুন: পাৰ্থিবকৰনৰ বাবে। ডিপি'য়ে আপোনাৰ অনুৰোধ ডিপজিটৰীটোলৈ পঠাব যিটোৱে বিষয়টো লৈ যাব জড়িত কোম্পানীৰ ওচৰলৈ। কোম্পানীয়ে আপোনাক সাকাৰ চাৰ্টিফিকেটবোৰ প্ৰদান কৰিব। নিজৰ ইচ্ছা মতে চিকিউৰিটীবোৰ সাকাৰ বা ডিমেট ৰূপত ধাৰন কৰাৰ পূৰা স্বাধীনতা আপোনাৰ আছে।

## ডিপি এটা পছন্দ কৰা :

জমা খাটা খোলাৰ বাবে এটা বেংক পছন্দ কৰাৰ দৰে ডিমেট একাউন্ট খোলাৰ বাবে আপুনি আপোনাৰ ডিপি পছন্দ কৰিব লাগিব। আপুনি মন কৰিব লগীয়া কথাকেইটামান হৈছে : সুবিধাজনক হোৱা (আপোনাৰ অফিছ/ঘৰৰ ওচৰৰ, কামৰ সময়ৰ লগত মিলা), মনৰ শান্তি



(খ্যাতি, কামকাজৰ খতিয়ান, আন বিনিয়োগকাৰীৰ অভিজ্ঞতা, কাৰ্য্যক্ষমতা) আৰ খৰচ (সেৱাৰ মূল্য আৰু মানদন্ড)। আপুনি আৰু এটা কথা চাব লাগিব যাতে ডিপি'টো ছেবিৰ দ্বাৰা পঞ্জীকৃত হয়।

## দেলিভাৰী ইন্সট্ৰাকশ্যন শ্লিপ (ডিআইএচ) :

ডিআইএচ হৈছে এখন চেক বুকৰ দৰে আৰু আপুনি ইয়াক সাবধানতাৰে ব্যৱহাৰ কৰিব লাগিব। আপুনি ডিআইএচ বুক (খোলা শ্লিপ নহয়) ইছু কৰাৰ বাবে ডিপি'ক জোৰ কৰা উচিত। ডিআইএচ নম্বৰবোৰ পূৰ্বে ছপা কৰা হব লাগিব আৰু আপোনাৰ একাউন্ট নম্বৰটো (গ্ৰাহকৰ চিনাকী) পূৰ্বে ষ্টাম্প মাৰি থোৱা হব লাগিব। কাৰো লগত চহী কৰা খালি ডিআইএছ নাৰাখিব আৰু ব্যৱহাৰ নকৰাৰ সময়ত ডিআইএচ বুকখন তলা চাবি মাৰি ৰাখিব।

## অপাৰ্থিবকৃত শ্বেয়াৰৰ প্ৰাপ্তি :

পাব্লিক ইছুৰ ক্ষেত্ৰত মুকলি কৰোতাই ডিপি'ক পৰামৰ্শ দিয়ে আপোনাক বন্টন কৰা চিকিউৰিটীবোৰ আপোনাৰ একাউন্টত জমা কৰিবলৈ। মাধ্যমিক বজাৰত কিনা ডিমেট চিকিউৰিটী পোৱাৰ বাবে আপুনি ডিপি'ক এককালীনভাবে জাৰী হৈ থকা নিৰ্দ্দেশ দিব পাৰে। এই এককালীন নিৰ্দ্দেশ দিব পাৰি একাউন্ট খোলাৰ সময়ত বা পাছত। বৈকল্পিকভাবে প্ৰতিটো পাওনা লাভ কৰাৰ বাবে আপুনি আপোনাৰ ডিপি'ক সুকীয়া ৰিছিপ্ত নিৰ্দ্দেশো দিব পাৰে। আপুনি নিশ্চিত কৰিব লাগিব যাতে আপোনাৰ ব্ৰকাৰে খাটাবংদ্ধৰ আগতে চিকিউৰিটী খিনি ক্লিয়েৰিং একাউন্টৰ পৰা আপোনাৰ ডিপজিটৰী একাউন্টলৈ বদলি কৰে। যদি চিকিউৰিটী খিনি ব্ৰকাৰৰ ক্লিয়েৰিং একাউন্টত বৈ যায় তেতিয়া কোম্পানীয়ে কৰ্পোৰেট লাভবোৰ (ডিভিদেন্ড বা বনাচ) ব্ৰকাৰকহে দিব। তেনেক্ষেত্ৰত লাভখিনি আপুনি আপোনাৰ ব্ৰকাৰৰ পৰা সংগ্ৰহ কৰিব লাগিব।

## অপাৰ্থিবকৃত শ্বেয়াৰৰ বিক্ৰী :

আপুনি চিকিউৰিটীখিনি বিক্ৰী কৰাৰ পাছত আপুনি আপোনাৰ ডিপি'ক নিৰ্দ্দেশ দিব বিক্ৰী হোৱা চিকিউৰিটীখিনি আপোনাৰ একাউন্টৰ পৰা কৰ্ত্তন কৰি ব্ৰকাৰৰ ক্লিয়েৰিং একাউন্টত জমা কৰিবলৈ। একাউন্ট খোলাৰ সময়ত ডিপি'য়ে আপোনাক দিয়া ডিআইএছ ব্যৱহাৰ কৰি এই নিৰ্দ্দেশটো আপোনাৰ ডিপি'ক দিব লাগিব।

## ডিভিদেন্ড আৰু সুদ :

সুবিধাৰ ধাৰনকৰোতা আৰু ধাৰনৰ পৰিমাণৰ বিশদ খবৰবোৰ জড়িত কোম্পানীয়ে ডিপজিটৰীৰ পৰা আয়ত্ব কৰে। আপোনাক পাওনা ধনখিনি কোম্পানীয়ে প্ৰদান কৰে ইচিএছ

(ইলেক্ট্ৰনিক ক্লিয়েৰিং চাৰ্ভিছ) সুবিধাৰ যোগেদি নাইবা আপোনাৰ বেংক একাউন্টৰ তথ্যবোৰ ছপা কৰি থোৱা ৱাৰেন্ট প্ৰদান কৰি।

### বনাছ শ্বেয়াৰ :

সুবিধাৰ ধাৰন কৰোতা আৰু ধাৰনৰ পৰিমাণৰ বিশদ খবৰবোৰ জড়িত কোম্পানীয়ে ডিপজিটৰীৰ পৰা আয়ত্ব কৰে। আপোনাৰ পাওনাখিনি কোম্পানীয়ে প্ৰত্যক্ষভাবে আপোনাৰ ডিপজিটৰী একাউন্টত জমা কৰে।

### বিনিয়োগকাৰীয়ে ডিপজিটৰীক কিমান পইচা দিব লাগে ?

ডিপজিটৰীয়ে বিনিয়োগকাৰীৰ লগত লেনদেন কৰে ডিপি বোৰৰ যোগেদি। ই বিনিয়োগকাৰীৰ পৰা প্ৰত্যক্ষভাবে পইচা নলয়। বিনিয়োগকাৰীৰ বাবে বিভিন্ন মাচুলৰ ব্যৱস্থা ৰখা ডিপি বোৰৰ পৰাহে পইচা লয়। অবশ্যে ডিপি'য়ে লগেৱা মাচুলবোৰ আপুনি তুলনা কৰি চোৱা উচিত ইয়াৰ সেৱাৰ সম্ভাৰ তথা মানদন্ডৰ লগত।

### অভিযোগ :

ডিপজিটৰীৰ কাৰ্য্য প্ৰণালীৰ লগত সম্পৰ্ক থকা যিকোনো অভিযোগ থাকিলে আপুনি ডিপি'ৰ ওচৰ চাপিব লাগে। ডিপি'য়ে যদি আপোনাৰ অভিযোগ নিষ্পত্তি কৰিব নোৱাৰে তেতিয়া আপুনি ডিপজিটৰীলৈ লিখিব পাৰে। আৰু যদি ডিপজিটৰী/ডিপজিটৰী অংশীদাৰে আপোনাৰ অভিযোগ নিষ্পত্তি নকৰে আপুনি ছেবিলৈ লিখিব পাৰে।

## মিউচুৱেল ফান্ড

আপোনালোকৰ বহুতেই হয়তো সামূহিক বিনিয়োগৰ প্ৰক্ৰিয়া এটা পছন্দ কৰিব পাৰে যি আপোনাৰ ৰাহি ধনখিনি একগোট কৰিব পাৰে, চিকিউৰিটীত বিনিয়োগ কৰে আৰু সমবায় নীতিৰ আধাৰত অৰ্জনখিনি আপোনালোকৰ মাজত ভাগ কৰি দিয়ে। আপুনি ইয়াৰ পৰা লাভবান হয়, কাৰণ বিপদাশংকা কমি যায় আৰু এনে বিনিয়োগ প্ৰক্ৰিয়াই নিযুক্ত কৰা ফান্ড মেনেজাৰৰ পেশাদাৰী দক্ষতাৰ ফলত অৰ্জনো অধিক হয়। মিউচুৱেল ফান্ডবোৰৰ আকৰ্ষন ইয়াতেই। ইহঁতে ৱকাৰক মাতি-চিকিউৰিটী কিনা/বিক্ৰী কৰাৰ পথতকৈ এটা সৰল আৰু নিৰাপদ পথ মুকলি কৰি দিয়ে ষ্টক বজাৰলৈ যোৱাৰ। ভাৰতত প্ৰতি ধৰনৰ বিনিয়োগকাৰীৰ প্ৰয়োজন পূৰণ কৰিব পৰা বিভিন্ন আচনি আগবঢ়ায় বুজন সংখ্যক ফান্ডে।



চিকিউৰিটী বজাৰ বৰ অনিশ্চয়তাপূৰ্ণ। পইচা লোকচান হোৱাৰ বিপদ অধিক। বাঢ়ন তথা অৰ্জনৰ সম্ভাৱনা থকা চিকিউৰিটী এই বজাৰৰ পৰা নিৰ্বাচিত কৰাৰ বাবে সাবধান অধ্যয়ন তথা বজাৰৰ চলনৰ জ্ঞান লাগে যিটো সকলো বিনিয়োগকাৰীৰ বাবে সম্ভব নহয়। লগতে চিকিউৰিটী বজাৰত সফল বিনিয়োগৰ চাবিকাঠি হৈছে ধনৰ টোপোলাটো বিস্তাৰিত কৰা যাৰ কাৰণে প্ৰচুৰ মূলধনৰ আৱশ্যক হয়।

মিউচুৱেল ফান্ড হৈছে বিনিয়োগকাৰী তথা চিকিউৰিটী বজাৰৰ মাজৰ এটা পেশাদাৰী মধ্যৱৰ্ত্তী সংস্থা। প্ৰত্যক্ষ বিনিয়োগৰ বহুতো দুৰ্বলতা মিউচুৱেল ফান্ডে যথেষ্ট পৰিমাণে আতৰ কৰিব পাৰে। মিউচুৱেল ফান্ডত বিনিয়োগ কৰাৰ বিশেষ সুবিধাবোৰ হৈছে :

পেশাগত পৰিচালনা : এটা পেশাগত পৰিচালনাই নিয়ন্ত্ৰিত কৰা মিউচুৱেল ফান্ডৰ আছে বিনিয়োগ সঞ্চালন কৌশল আৰু গবেষনাৰ দক্ষতা।

বিস্তাৰিতকৰন : মিউচুৱেল ফান্ডত এজন বিনিয়োগকাৰীয়ে এটা বিস্তাৰিত টোপোলা লাভ কৰে, তেওঁৰ বিনিয়োগৰ পৰিমাণ যিমানেই কম নহওক কিয়। গতিকে লোকচানৰ বিপদটো বহু সংখ্যক বিনিয়োগকাৰীৰ মাজলৈ প্ৰসাৰিত হৈ পৰে আৰু ব্যক্তিগতভাবে পূৰ্ণ লোকচান ভৰিব লগা নহয়। লগতে এটা সজুলিৰ বিপদো অনেক বিনিয়োগ সজুলিৰ মাজলৈ প্ৰসাৰিত হৈ পৰে।

কম খৰচ : মিউচুৱেল ফান্ড হৈছে মিতব্যয়ী। বিৰাট প্ৰসাৰৰ কাৰণে ফান্ডৰ খৰচ কম হয় আৰু সুবিধাখিনি বিনিয়োগকাৰীলৈ চলাই দিয়া হয়।

নগদীকৰন : মিউচুৱেল ফান্ডৰ ইউনিটবোৰ ফান্ডক পুনৰ বিক্ৰী কৰিব পাৰি (অপেন এ'ন্ড) নাইবা বজাৰত বেচিব পাৰি (ক্লজড্ এ'ন্ড) অথবা নিৰ্দিষ্ট কালৰ পাছত মোকলাব পাৰি।

পৰিস্কাৰ প্ৰক্ৰিয়া : এছোছিয়েশ্যন অব্ মিউচুৱেল ফান্ডছ্ ইন ইন্ডিয়া (এএমএফআই)ৰ ৱেবচাইট তথা আনবোৰ ৱেবচাইটতো আচনিবোৰৰ এনএভি প্ৰতিদিনে প্ৰদৰ্শিত কৰা হয়।

আচনিৰ পছন্দ : মিউচুৱেল ফান্ডবোৰে দিয়ে বহু ধৰনৰ বিনিয়োগকাৰীৰ বাবে উপযোগী হব পৰা আচনিৰ বিৰাট সম্ভাৰ।

নিয়ন্ত্ৰণ : মিউচুৱেল ফান্ডবোৰ ছেবিৰ দ্বাৰা নিয়ন্ত্ৰিত।

## আপোনাৰ বিনিয়োগৰ লক্ষ্য বুজি লওক :

আপুনি প্ৰথমতে নিজৰ বিনিয়োগৰ লক্ষ্যবোৰ বুজিব লাগিব অৰ্থা? আপুনি নগদীকৰন বিচাৰেনে, হ্ৰস্বকালীন অৰ্জন বিচাৰে, নে দীৰ্ঘকালীন মূলধনৰ বৃদ্ধি বিচাৰে। আপোনাৰ বিনিয়োগৰ লক্ষ্য পূৰাব পৰা ধৰনৰ আচনিহে আপুনি নিৰ্বাচিত কৰিব লাগিব। নিৰ্বাচনৰ পাছত আপুনি এনে আচনিৰ অতীতৰ কাৰ্যদক্ষতা আৰ বিভিন্ন মিউচুৱেল ফান্ডে ইয়াৰ পৰা দিয়া অৰ্জন তুলনা কৰি চাব লাগিব। ইয়াৰ বাবে আপুনি অফাৰ ডকুমেন্টখন ভালকৈ অধ্যয়ন কৰিব লাগিব এইবোৰৰ ওপৰত জোৰ দি - অতীতৰ কাৰ্য্য সম্পাদন, পৃষ্ঠপোষক সকল, বিনিয়োগ লক্ষ্য, সম্পদৰ বন্টন প্ৰক্ৰিয়া ইত্যাদি।

## এখন মিউচুৱেল ফান্ড আচনিৰ পছন্দ :

আপুনি আচনিখন পছন্দ কৰিব লাগিব ইয়াৰ মূল বৈশিষ্ট্যৰাজি, আচনিবিশেষ বিপদাশংকাবোৰ, ফীজৰ খবৰ, খৰচপাতি তথা লোড্ আৰু অতীতৰ কাৰ্যসম্পাদন পৰীক্ষা কৰি। লগতে চাব লাগিব বিনিয়োগৰ লক্ষ্য তথা নীতিবোৰ আৰু আনবোৰ আচনিৰ লগত ইয়াৰ তুলনামূলক স্থিতি।

## মিউচুৱেল ফান্ডৰ ইউনিট কিনা :

অপেন-এ’ন্ড আচনিৰ দিশত আপুনি ফান্ডৰ পৰা প্ৰত্যক্ষ ভাবে ইউনিট কিনিব পাৰে। আপুনি ফান্ডৰ অফিচলৈ যাব পাৰে নাইবা বিতৰক/ব্ৰকাৰ/চাব-ব্ৰকাৰ বা এক্সেঞ্জৰ ওচৰলৈ যাব পাৰে। ক্লজড্-এ’ন্ড আচনিৰ ক্ষেত্ৰত ইউনিটবোৰৰ তালিকা থকা ষ্টক এক্সেঞ্জৰ পৰা অথবা পুন:ক্ৰয়ৰ সুবিধা দিয়া মিউচুৱে ফান্ডবোৰৰ পৰা। মিউচুৱেল ফান্ডবোৰে সাধাৰনতে নতুন আচনি মুকলি হোৱাৰ তাৰিখ ঘোষনা কৰে বা তৰিকাক তৰ বিজ্ঞাপনৰ যোগেদি। দৰকাৰী তথ্য আৰু আবেদন প্ৰপত্ৰৰ কাৰণে আপুনি যোগাযোগ কৰিব পাৰে সমগ্ৰ দেশতে সিচৰতি হৈ থকা মিউচুৱেল ফান্ডৰ এজেন্ট তথা বিতৰকসকলৰ লগত। প্ৰপত্ৰবোৰ জমা দিব পাৰি এনেধৰনৰ সেৱা আগবঢ়োৱা মিউচুৱেল ফান্ডৰ এজেন্ট তথা বিতৰক সকলৰ জৰিয়তে। আজিকালি ডাকঘৰ আৰু বেংক বোৰে মিউচুৱেল ফান্ডৰ ইউনিট বিতৰন কৰে। অবশ্যে আপুনি মনত ৰাখিব লাগিব যে বেংক তথা ডাকঘৰবোৰে বজাৰীকৰন কৰা মিউচুৱেল ফান্ডৰ আচনিবোৰ ইহঁতৰ নিজৰ আচনি নহয়। বেংক আৰু ডাকঘৰবোৰৰ একমাত্ৰ ভুমিকা হৈছে মিউচুৱেল ফান্ডৰ আচনিবোৰ বিনিয়োগকাৰীক বিতৰন কৰাত সহায় কৰা।

## নগদীকৰন :

মিউচুৱেল ফান্ডৰ ইউনিটবোৰ একেবাৰে নগদ ধনৰ নিচিনা। অপেন-এ’ন্ড আচনিৰ ক্ষেত্ৰত আপুনি যিকোনো কৰ্মদিনত সেইদিনৰ বাবে প্ৰযোজ্য এনএভি’ত ইউনিটবোৰ মোকলাই ল’ব পাৰে মিউচুৱেল ফান্ডটোৰ পৰাই। ক্লজড্ এ’ন্ড আচনিৰ ক্ষেত্ৰত আপুনি ইউনিটবোৰৰ বাণিজ্য কৰিব পাৰে ফান্ডৰ ইউনিটবোৰৰ তালিকা থকা স্বীকৃত ষ্টক এক্সেঞ্জত।

## খন্ড বিশেষ ফান্ডবোৰ :

এইবোৰ হৈছে ফান্ড/আচনি যিবোৰে বিনিয়োগ কৰে অফাৰ ডকুমেন্টখনত নিৰ্দিষ্ট কৰি দিয়া কেবল সেইবোৰ খন্ড বা উদ্যোগৰ চিকিউৰিটীতহে। যেনে ফাৰ্মাচিউটিকেলছ্, চফ্‌টৱেৰ, ফাষ্ট মুভিং কনজিউমাৰ গুডছ্ (এফএমচিজি), পেট্ৰোলিয়াম ষ্টকছ্ ইত্যাদি। খন্ড বিশেষ ফান্ডবোৰ সাধাৰনতে চক্ৰীয় প্ৰকৃতিৰ হয় আৰু এনে ফান্ড সন্মুখীন হোৱা বিপদাশংকাবোৰো খন্ড বিশেষহে। এনে ফান্ডবোৰৰ অৰ্জন নিৰ্ভৰ কৰে জড়িত খন্ড/উদ্যোগবোৰৰ কাৰ্য্যদক্ষতাৰ ওপৰত।

## কৰ বচোৱা আচনি :

এইবোৰ আচনিয়ে আইকৰ আইন, 1961ৰ বিশেষ ধাৰা কেইটাৰ অধীনত কৰৰ ৰেহাই আগবঢ়ায়। কাৰণ চৰকাৰে বিনিয়োগৰ কাৰণে কৰৰ ৰেহাই সুবিধা দিয়ে ইকুইটি লিংকড্ চেভিংছ স্কীম (ইএলএছএছ)ৰ দৰে বিশেষ কেতবোৰ আচনিত। মিউচুৱেল ফান্ডে আৰম্ভ কৰা পেন্সন আচনিবোৰতো মূলত: ইকুইটিত বিনিয়োগ কৰা হয়। ইহঁতৰ বাঢ়ন তথা বিপদাশংকাৰ সম্ভাৱনা যিকোনো ইকুইটি আধাৰিত আচনিৰ দৰেই।

## নিশ্চিত অৰ্জন আচনিৰাজি :

নিশ্চিত অৰ্জন আচনিবোৰ এনেধৰনৰ য’ত ইউনিটধাৰকক এক নিশ্চিত অৰ্জন দিয়া হয় আচনিৰ কাৰ্য্যদক্ষতাৰ লগত কোনো সম্পৰ্ক নৰখাকৈ। এনেধৰনৰ অৰ্জন পৃষ্ঠপোষক বা এছেট মেনেজমেন্ট কম্পেনী (এএমচি)ৰ দ্বাৰা গেৰান্টিযুক্ত হলেহে আচনিখনে অৰ্জনৰ প্ৰতিশ্ৰুতি দিব পাৰে আৰু অফাৰ ডকুমেন্ট খনত এই কথা উল্লেখ কৰা উচিত। আপুনি অফাৰ ডকুমেন্টখন সাবধানে পঢ়ি চাব যে এই অৰ্জন আচনিৰ সম্পূৰ্ণ কালৰ বাবে নিশ্চিত নে এটা নিৰ্দিষ্ট কালৰ কাৰণেহে। কিছুমান আচনিয়ে এবাৰত এবছৰৰ কাৰণে নিশ্চিত অৰ্জন দিয়ে আৰু পাছত বিবেচনা কৰি পাছৰ বছৰৰ আৰম্ভনিতে ইয়াক সলনি কৰে।

## মিউচুৱেল ফান্ডৰ কাৰ্য্যদক্ষতা জনা :

আচনি এখনৰ কাৰ্য্যদক্ষতা প্ৰতিফলিত হয় ইয়াৰ নেট এছেট ভেল্যুত (এনএভি) যিটো দৈনিক প্ৰদৰ্শিত কৰা হয় অপেন এ’ন্ডেড্ আচনিৰ ক্ষেত্ৰত আৰু সাপ্তাহিক ভাবে কৰা হয় ক্লজড্ এ’ন্ডেড আচনিৰ ক্ষেত্ৰত। মিউচুৱেল ফান্ডৰ এনএভি’বোৰ বাতৰিকাকতত প্ৰকাশিত

হোৱাটো প্ৰয়োজনীয়। মিউচুৱেল ফান্ডৰ ৱেবচাইটবোৰতো এনএভি পোৱা যায়। গোটেইবোৰ মিউচুৱেল ফান্ডে ইহঁতৰ এনএভি’বোৰ এএমএফআই’ৰ ৱেবচাইট www.amfiindia.com ত প্ৰদৰ্শিত কৰাটোও প্ৰয়োজনীয়। এইদৰে আপুনি আটাইবোৰ মিউচুৱেল ফান্ডৰে এনএভি এঠাইত বহি চাব পাৰে আৰু ইহঁতৰ কাৰ্যদক্ষতা পৰীক্ষা কৰিব পাৰে।

মিউচুৱেল ফান্ডবোৰে ইহঁতৰ কাৰ্যদক্ষতা ছমহীয়া পৰিণামৰ ৰূপত প্ৰকাশিত কৰাটোও প্ৰয়োজনীয় য’ত থাকে ইহঁতৰ অৰ্জন/আয় এটা কালৰ বাবে অৰ্থ্যা? আচনিৰ আৰম্ভনিৰ পৰা ছমাহ, এবছৰ, দুবছৰ বা পাচ বছৰ। আপুনি মুঠ সম্পদৰ শতকৰা হিচাপত খৰচৰ দৰে তথ্যবোৰতো চকু ফুৰাব পাৰে। কাৰণ ইহঁতে অৰ্জনৰ ওপৰত প্ৰভাব পেলায়। একে ছমহীয়া ৰূপৰেখাৰ আন আন তথ্যবোৰো আপুনি চাই ল’ব পাৰে।

বিভিন্ন আচনিৰ অৰ্জনক ভিতৰুৱা কৰি মিউচুৱেল ফান্ডৰ আচনিবোৰৰ ওপৰত বহুতো অধ্যয়ন বিত্তীয় বাতৰিকাকতবোৰে সাপ্তাহিকভাবে প্ৰকশিত কৰে। ইয়াৰ বাহিৰে কাৰ্য্যদক্ষতাৰ ওপৰত ভিত্তি কৰি বিভিন্ন আচনিক স্থান দিয়াকে ধৰি মিউচুৱেল ফান্ডৰ কাৰ্য্যদক্ষতাৰ গবেষনামূলক বিৱৰনীও প্ৰকাশ কৰে বহুতো গবেষক সংস্থাই। আপুনি এনে বিৱৰন বোৰ পঢ়িব লাগে আৰু বিভিন্ন মিউচুৱেল ফান্ডৰ বিভিন্ন আচনিৰ কাৰ্য্যদক্ষতাৰ বিষয়ে নিজকে অবগত কৰি ৰাখিব লাগে।

একে শ্ৰেণীৰ ভিতৰতে আপুনি বিভিন্ন আচনিৰ পাৰদৰ্শিতা আন আন মিউচুৱেল ফান্ডৰ আচনিৰ লগত তুলনা কৰি চাব পাৰে। আপুনি ইকুইটি আধাৰিত আচনিবোৰৰ পাৰদৰ্শিতা তুলনা কৰিব পাৰে বিএছই ছেনছিটিভ ইন্ডেক্স, এছ এন্ড পি, চিএনএক্স নিফ্‌টি আদিৰ দৰে প্ৰতিষ্ঠিত গোটৰ লগতো।

মিউচুৱেল ফান্ডবোৰৰ কাৰ্য্যদক্ষতাৰ ওপৰত নিৰ্ভৰ কৰি আপুনি এখন মিউচুৱেল ফান্ড আচনিত প্ৰবেশ কৰা বা ইয়াৰ পৰা ওলোৱাৰ সিদ্ধান্ত ল’ব পাৰে।

## একেলগে পোৱা কেবাখনো আচনিৰ পৰা বাচনি কিদৰে ?

মিউচুৱেল ফান্ড আচনিখনৰ অফাৰ ডকুমেন্টখন আপুনি সাবধানে পঢ়ি ল’বই লাগিব। একেটা মিউচুৱেল ফান্ডৰ বৰ্ত্তমানৰ আচনিখন তথা আন আন আচনিৰ পূৰ্বৰ কাৰ্যদক্ষতাৰ লোখো আপুনি চাই ল’ব পাৰে। ইয়াৰ তুলনাও কৰিব পাৰে একে বিনিয়োগৰ লক্ষ্য থকা আনবোৰ আচনিৰ লগত। যদিও এখন আচনিৰ অতীতৰ কাৰ্য্যদক্ষতা ভৱিষ্যতৰ ফলাফলৰ সূচক নহয় আৰু অতীতৰ উত্তম কাৰ্য্যসম্পাদন ভৱিষ্যতেও অব্যাহত থাকিব বা নাথাকিব পাৰে এইটো আপোনাৰ বিনিয়োগৰ সিদ্ধান্ত গ্ৰহনত থকা দৰকাৰী কথাবোৰৰ এটা। ডে’ট আধাৰিত আচনিৰ ক্ষেত্ৰত অতীতৰ অৰ্জন চোৱাৰ উপৰিও আপুনি ৰেটিঙৰ দ্বাৰা গম পাব পৰা ডে’ট সজুলিটোৰ গুণমানো চাই লোৱা উচিত। অৰ্জনৰ হাৰ কম হলেও বিনিয়োগ উন্নত ৰেটিঙৰ সজুলিত কৰা ক্ষেত্ৰত আচনিখন অধিক নিৰাপদ হব পাৰে। একেদৰে ইকুইটি আচনিবোৰতো আপুনি বিনিয়োগ টোপোলাৰ মানদন্ড চাব পাৰে। আপুনি বিশেষজ্ঞৰ পৰামৰ্শও ল’ব পাৰে।

## মিউচুৱেল ফান্ডৰ বিষয়ে তথ্য :

প্ৰায়বোৰ মিউচুৱেল ফান্ডৰে নিজৰ নিজৰ ৱেব চাইট আছে। এএমএফআই’ৰ ৱেবচাইট www.amfiindia.com. তো আপুনি এনএভি’বোৰৰ পৰীক্ষা, ছমহীয়া বিৱৰনী আৰু সকলো মিউচুৱেল ফান্ডৰ টোপোলাবোৰ চাব পাৰে। আপুনি ছেবিৰ ৱেবচাইট www.sebi.gov.in ত লগ অন কৰি ‘মিউচুৱেল ফান্ড’ ভাগলৈ গৈ ছেবিৰ নিয়ন্ত্ৰণমূলক নীতি নিয়ম আৰু নিৰ্দ্দেশিকাৰ বিষয়ে, মিউচুৱেল ফান্ডৰ সাংখ্যিক তথ্যৰ বিষয়ে, মিউচুৱেল ফান্ডে দাখিল কৰা খছৰা অফাৰ ডকুমেন্টৰ বিষয়ে, মিউচুৱেল ফান্ডবোৰৰ ঠিকনা আদিৰ বিষয়ে খবৰ পাব পাৰে।

## অভিযোগ নিষ্পত্তিকৰন :

মিউচুৱেল ফান্ডৰ অফাৰ ডকুমেন্টখনত আপুনি সংযোগ ব্যক্তিজনৰ নাম পাব আৰু কিবা প্ৰশ, আপত্তি বা অভিযোগ থাকিলে আপুনি তেওৰে ওচৰ চাপিব পাৰে। মিউচুৱে ফান্ডৰ ট্ৰাষ্টিসকলে ফান্ডটোৰ কামকাজৰ নিৰীক্ষন কৰি থাকে। এএমচি’ৰ ডিৰেক্টৰ তথা ট্ৰাষ্টিসকলৰ নামো অফাৰ ডকুমেন্টত থাকে। বিনিয়োগকাৰীয়ে অভিযোগৰ নিষ্পত্তিৰ বাবে ছেবিৰো কাষ চাপিব পাৰে। অভিযোগ পালে ছেবিয়ে জড়িত মিউচুৱেল ফান্ডক তলব কৰে আৰু সমাধান হোৱালৈকে মধ্যস্থতা কৰি যায়।

## সামূহিক বিনিয়োগ আচনি :

সামূহিক বিনিয়োগ আচনি (চিআইএছ) হৈছে এটা ব্যৱস্থা যাৰ অধীনত বিনিয়োগকাৰীসকলে বৰঙনি দিয়ে আৰু এইবোৰ একত্ৰিত কৰি কেৱল ব্যৱস্থাটোৰ বাবেই লগোৱা হয় - মুনাফা/

অৰ্জনৰ প্ৰতি নজৰ ৰাখি। আৰ্টাইবোৰ চিআইএছ কোম্পানী ছেবিৰ দ্বাৰা পঞ্জীকৃত হোৱাটো প্ৰয়োজনীয়।

আপুনি চাব লাগিব যাতে সামূহিক বিনিয়োগ পৰিচালনা কোম্পানীটো ছেবিৰ দ্বাৰা পঞ্জীকৃত হয় আৰু আচনি শুভাৰম্ভ কৰি ৰাইজৰ পৰা ধন সংগ্ৰহ কৰাৰ যোগ্য হয়। এনে আচনিবোৰ ক্ৰেডিট ৰেটেড হোৱা আৰু লগতে নিৰীক্ষক সংস্থাৰ দ্বাৰা নিৰীক্ষিত হোৱাটো বাধ্যতামূলক। আচনিবোৰ ট্ৰাষ্টিৰ দ্বাৰাও অনুমোদিত হব লাগিব আৰু ইয়াৰ বিষয়বস্তুখিনি নিয়ন্ত্ৰক নীতিনিয়ম অনুসৰি ছেবিৰ ওচৰত দাখিল কৰা হব লাগিব।



পঞ্চম অধ্যায়

# বিনিয়োগকাৰী অভিযোগ নিষ্পত্তিকৰন

আপোনাৰ আৰু নিয়ন্ত্ৰক ব্যৱস্থাৰ দ্বাৰা গ্ৰহণ কৰা সকলোবোৰ সাবধানতাৰ পাছতো আপোনাৰ কিবা অভিযোগ থাকিব পাৰে। নিয়ন্ত্ৰক ব্যৱস্থা, আত্ম নিয়ন্ত্ৰণমূলক সংগঠনবোৰ তথা নিয়ন্ত্ৰক ব্যৱস্থাই চলোৱা গোটবোৰৰ এটা প্ৰক্ৰিয়া আছে আপোনাৰ অভিযোগবোৰৰ নিষ্পত্তি কৰাৰ।

তলত দিয়া টেবুলখনত দেখুওৱা হৈছে অভিযোগৰ ধৰন আৰু তাৰ বাবে আপুনি কাষ চাপিব লগা কৰ্তৃপক্ষ। ইয়াৰ বাহিৰেও আপোনাৰ স্বাধীনতা আছে আপোনাৰ অভিযোগ ছেবি বা আইন আদালতলৈ নিয়াৰ।

| অভিযোগ জড়িত | কাক সংযোগ কৰিব |
|---|---|
| ইছু/কোম্পানী | ইছু কৰা কোম্পানীৰ জড়িত বিষয়া/লীদ মেনেজাৰ/ষ্টক এক্সেঞ্জ |
| বাণিজ্য/ব্ৰকাৰ/ চাব-ব্ৰকাৰ | জড়িত এক্সেঞ্জৰ বিনিয়োগকাৰী অভিযোগ কক্ষ। |
| মিউচুৱেল ফান্ড | মিউচুৱেল ফান্ডৰ নিষ্পত্তি কাৰ্যালয়। |
| ডিপজিটৰী সেৱা | জড়িত ডিপজিটৰীৰ বিনিযোগকাৰী সম্পৰ্ক কক্ষ। |
| কৰ্পোৰেট কাৰ্য্য | জড়িত কোম্পানী/জড়িত এক্সেঞ্জ |
| মধ্যবৰ্ত্তী সংস্থা | মধ্যবৰ্ত্তী সংস্থাৰ নিষ্পত্তি বিষয়া/সংশ্লিষ্ট উদ্যোগ সংঘ/এছ আৰঅ’। |